# ৰাভা জনগোষ্ঠী আৰু সিহঁতৰ বাদ্য যন্ত্ৰ

গুৱাহাটী বিশ্ববিদ্যালয় ষান্মাসিকৰ ASM-HE-6056 কাকতৰ আংশিক পৰিপূৰ্তি  হিচাপে প্ৰস্তুত কৰা ক্ষেত্ৰ অধ্যয়ন পত্ৰ


নাম : সমীৰন সাউদ

ৰোল নং : UA-191-097-0461

ৰেজিষ্ট্ৰেশন নং : 19023176


স্নাতক তৃতীয় বৰ্ষ

ষষ্ঠ ষান্মাসিক


দুধনৈ মহাবিদ্যালয়, দুধনৈ, গোৱালপাৰা  (অসম)


শিক্ষাবৰ্ষ - ২০২১-২২ ইং চন

# DUDHNOI COLLEGE,DUDNHOI

## GOALPARA,ASSAM

From, Date:....13/06/2022

**Shikha Sharma**

Assistant professor,

Department of Assamese.

Dudhnoi college,Dudhnoi

## TO WHOM IT MAY CONCERN

This is to certified that **Samiran Saud**,Class – B.A 6th Semester, Assamese(Honours),Roll-**UA-191-097**,No-**0461**,Completed his field study report from our guidance.

His completed the work in time and within jurisdiction.

I wish his success in life.

Assistant professor,

Department of Assamese,

Dudhnoi college,Dudhnoi

# পাতনি

ইং ২০২২ চনৰ ষষ্ঠ ষাণ্মাসিক অসমীয়া প্ৰধান বিষয়ৰ ছাত্ৰ ছাত্ৰী সকলৰ বিশেষ স্থান, জনগোষ্ঠী, উৎসৱ-পাৰ্বন, লোকাচাৰ, ভাষা-সংস্কৃতি, লোক সাহিত্য কলাত ওপৰত লক্ষ্য অধ্যয়ন কৰি এখনি গৱেষণা পত্ৰ প্ৰস্তুত কৰিব দিয়া হৈছে। সেই উদ্দেশ্য আগত ৰাখি ৰাভা জনগোষ্ঠীৰ চমু বিৱৰণৰ লগতে ৰাভা সকলোৰ উৎসৱ আৰু তাত ব্যৱহৃত বাদ্যযন্ত্ৰ সম্পৰ্কে বিষয়ে এটি ক্ষুদ্ৰ গৱেষণা পত্ৰ প্ৰস্তুত কৰিবলৈ প্ৰয়াস কৰিছো।

আগতে পৰা ৰাভা জনগোষ্ঠীৰ বিষয়ে বহুত কথা কিতাপে-পত্ৰই পাই আহিছো আৰু গাঁৱত পৰিৱেশত পৰা ৰাভাৰ প্ৰভাৱ পাই আহিছো। সেয়ে এই সময়ত কিছু কিতাপৰ পৰা, কিছু ব্যক্তিৰ পৰা আৰু কিছু নিজে জনা কথা প্ৰকাশ কৰিছো। আশা কৰো ভুল হলে মোক ক্ষমা কৰে। এই মোৰ প্ৰাৰ্থনা গোহাৰি।

# কৃতজ্ঞতা স্বীকাৰ

মোৰ এই ক্ষুদ্ৰ গৱেষণা প্ৰকল্পত আৰম্ভিক অৱস্থাৰ পৰা শেষ হোৱালৈকে বিভিন্ন দিশত দুধনৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ শ্ৰদ্ধাৰ সমূহ শিক্ষাগুৰু সকলৰ সহায় সহযোগিতাৰ বাবে এই ক্ষুদ্ৰ গৱেষণা পত্ৰখিনি সময়মতে বিভাগীয় কৰ্তৃপক্ষৰ হাতত জমা দিবলৈ সক্ষম হৈছো। সেয়ে অসমীয়া বিভাগৰ শ্ৰদ্ধাৰ শিক্ষয়িত্ৰী শিখা শৰ্মা বাইদেউক আৰু মোক সহায় কৰা সকলো সহপাঠী বন্ধু বান্ধৱী লগতে কেইজনমান বিশেষ শ্ৰেষ্ঠ ব্যক্তিলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সমীৰন সাউদ

# সূচীপত্ৰ

পাতনি
কৃতজ্ঞতা স্বীকাৰ, উদ্দেশ্য আৰু লক্ষ্য, গৱেষণা পদ্ধতি-২

প্ৰথম অধ্যায়: ৰাভা সকলৰ ইতিহাস আৰু অৱস্থান
(ক) ৰাভা সকলৰ প্ৰাচীন ইতিহাস
(খ) ৰাভা সকলৰ ভৌগোলিক অৱস্থান
(গ) ৰাভা সকলৰ বৰ্তমান অৱস্থান

দ্বিতীয় অধ্যায়: ৰাভাসকলৰ উৎসৱ-পাৰ্বন আৰু তাত ব্যৱহৃত বাদ্য যন্ত্ৰ
(ক) বাইখো পূজা
(খ) কেঁচাই খাতিবা লাঙমৰা
(গ) মাৰাং গা বা হাড়ি
(ঘ) হানমৌৰা বা জাৰীখোৰা
(ঙ) বিচুৱা, বজুৱাৰাঢ়ী বা বগেৱদী
(চ) জাগাৰ বা কালী

তৃতীয় অধ্যায়: ৰাভা সকলৰ নৃত্য-গীত আৰু তাত ব্যৱহৃত বাদ্যযন্ত্ৰ
(ক) লোক নৃত্যত ব্যৱহৃত বাদ্যযন্ত্ৰ
(খ) লোকগীতত ব্যৱহৃত বাদ্যযন্ত্ৰ

চতুৰ্থ অধ্যায়: (ক) আমৰনি
(খ) গ্ৰন্থপঞ্জী
(গ) চিত্ৰ

## * উদ্দেশ্য আৰু লক্ষ্য

ৰাভা সকলৰ উৎসৱ পাৰ্বন আৰু লোকগীত সমূহত ব্যৱহৃত বাদ্য যন্ত্ৰ সমূহৰ বিষয়ে আইতাত মুখেৰে শুনি বহু কথা জানিছিলোঁ যদিও সম্পূৰ্ণৰূপে জ্ঞান আহৰণৰ ~~কৰাৰকাৰে~~ মনত হাবিয়াস থাকি গৈছিল। সেয়েহে গোৱালপাৰা জিলাৰ বিভিন্ন ৰাভা অঞ্চল ভ্ৰমণ কৰি ৰাভা সকলৰ পৰা বিভিন্ন তথ্য আহৰণ কৰি এই গৱেষণা পত্ৰ-খনিত বিষয়টো নিৰ্বাচন কৰিছিলোঁ। গোৱালপাৰা জিলাত বিশেষকৈ দুধনৈ, বঙজুলি, কৃষ্ণধালা, আমগুৰি আদিত ৰাভা লোক বহুপৰিমাণে আছে। এই অঞ্চলত বসবাস কৰা লোক সকলৰ উৎসৱ-পাৰ্বন, লোকাচাৰ আদিবোৰত উদ্দেশ্য এই বিষয়টো মই বাচনি কৰি লৈছোঁ।

## গৱেষণা পদ্ধতি

এই গৱেষণা পত্ৰখনৰ জৰিয়তে সঠিক তথ্য উদ্ঘাটনৰ বাবে বিভিন্ন ধৰণৰ পদ্ধতি গ্ৰহণ কৰা হৈছে। বিশেষকৈ ৰাভা জনগোষ্ঠীৰ বিভিন্ন কিতাপৰ পৰা তথ্য সমূহ আহৰণ কৰা হৈছে। এই ক্ষুদ্ৰ গৱেষণা পত্ৰখনত তিনিটা উৎসৰ পৰা তথ্য সংগ্ৰহ কৰা হৈছে।

(ক) প্ৰাথমিক উৎস: প্ৰথমতে, গোৱালপাৰা জিলাৰ দুধনৈ আৰু বংজুলি এই ঠাই দুখন ভ্ৰমণ কৰি বিভিন্ন তথ্য আহৰণ কৰিছো।

(খ) গৌণ উৎস: দ্বিতীয়তে, গোৱালপাৰা জিলাৰ বিভিন্ন ৰাভা লেখকৰ মঠ মন্দিৰৰ তথ্য সম্বলিত বিভিন্ন সহায়ক গ্ৰন্থ প্ৰণীত লগতে, দুধনৈ মহাবিদ্যালয়ৰ পুথিভঁৰালৰ পৰা বিভিন্ন প্ৰস্তুত কৰা তথ্যপাতি সংগ্ৰহ কৰাৰ লগতে ইয়াৰ লগত জড়িত বিভিন্ন বিষয়ৰ কিতাপ গ্ৰন্থ বিপণীৰ পৰা ক্ৰয় কৰি তথ্য সংগ্ৰহ কৰা হৈছে।

(গ) বস্তুনিষ্ঠতা: এই গৱেষণা পত্ৰখন প্ৰস্তুত কৰিবলৈ যাওঁতে বস্তুনিষ্ঠতা পদ্ধতি অৱলম্বন কৰা হৈছে কিয়নো ই তথ্যক পক্ষপাতিত্বমূলক নিৰপেক্ষ অথবা তথ্যৰ আবদ্ধ প্ৰতিফলিত।

## প্ৰথম অধ্যায় : ৰাভাসকলৰ ইতিহাস আৰু অৱস্থান

(ক) ৰাভাসকলৰ প্ৰাচীন ইতিহাস
(খ) ৰাভাসকলৰ ভৌগোলিক অৱস্থান
(গ) ৰাভাসকলৰ বৰ্তমান অৱস্থান

ক) ৰাভাসকলৰ প্ৰাচীন ইতিহাস

ৰাভাসকল মূলতঃ এটা আদিম জাতি। এওঁলোক অসম, মেঘালয় আৰু পশ্চিমবংগৰ বিভিন্ন স্থানত সিঁচৰিত হৈ আছে। মতবাদ মতে ৰাভাসকলৰ আদি বাসভূমি আছিল ৰাছিয়াৰ ছাইবেৰিয়া। নানা পণ্ডিতে বিভিন্ন মতবাদ আৰু মতভেদৰ সৃষ্টি কৰি গৈছে কাৰণে ঐতিহাসিক পটভূমি সৰ্বসন্মতভাৱে বিচাৰি পোৱা টান। এইটো স্পষ্ট যে সাম্প্ৰতিক সময়ত ৰাভা জাতিৰ স্থান, জনসংখ্যা, পৰিচয় ক্ৰমাগতভাৱে পোহৰলৈ আহিছে আৰু বিজ্ঞানসন্মতভাৱে অধ্যয়নৰ ধাৰা অব্যাহত ৰাখিলে জাতিৰ ঐতিহাসিক পটভূমি অধিক স্পষ্ট আৰু সঠিক ৰূপত পোৱা যাব।

অসমত ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে আহোম আৰু অন্যান্য ৰাজ্যৰ শাসন বৃটিছৰ অধীনলৈ যায়। দক্ষিণ পাৰৰ যি কেইজন ৰাভা বংশাৱলীৰ ৰজা আছিল তেওঁলোকৰ শাসনো বৃটিছ আগমনৰ লগে লগে অন্ত পৰে।

ৰাজশাসনৰ সময়ত ৰাভাসকলে ধৰ্মীয়, সাংস্কৃতিক, আৰু সামাজিক ক্ষেত্ৰত কম-বেছি পৰিমাণে যি সুৰক্ষিত অনুভৱ কৰিছিল, বৃটিছ আগমনৰ

লগে লগে হোৱা অনুৰূপ নাৰকীয়া হ'ল । ৰাজনৈতিক পৰিৱৰ্তনৰ লগত ৰাভাসকলৰ সামাজিক জীৱন যাপনত যথেষ্ট প্ৰভাৱ পৰে । সেই সময়ৰ উচ্চ শ্ৰেণীত মানুহ বৰ্তি থকা অস্পৃশ্য, উচ্চ-নীচ আদি ধাৰণাই ৰাভাসকলক সামাজিকভাৱে জাতিয় সংকটত পেলায় । ৰাভা, কছাৰী নীচ জাত বুলি থাকি ইংৰাজৰ পৃষ্ঠপোষিত পাবলৈকে ব্যাপকভাৱে কৈ উচ্চজাত হোৱাই ভাল এনেবোৰ ধাৰণাই ৰাভা সমাজক যথেষ্ট প্ৰভাৱান্বিত কৰিলে । উচ্চ শ্ৰেণীত এই প্ৰভাৱত পতি ৰাভা জাতিৰ মানুহ শৰণ-ভোজন লৈ সামাজিক ভাৱে অন্যজাতিত শৰণ লয় । এই ব্যাপকভাৱে আৰু ধৰ্মান্তৰৰ প্ৰচাৰ-প্ৰসাৰৰ ফলত ৰাভাসকল সামাজিকভাৱে জাতীয় সংকটত পৰে ।

বৃটিছ শাসনত হোৱা এনে সামাজিক অস্থিৰতাৰ বাবে শৈক্ষিক, সাংস্কৃতিক দিশত ৰাভা সমাজত যথেষ্ট প্ৰভাৱ পৰে । এই ঘটনাৰ বাবে কিছু ৰাভা মানুহৰ মনত জাতীয় চিন্তাত কমাই অনুভূতি দিছিল । ৰাভা হিচাপে জীয়াই থকাৰ চিন্তা মনত উদয় হৈছিল । সেয়ে ৰাভা সমাজে একগোট হৈ ব্যাপকভাৱে বিৰুদ্ধে যুঁজ দিয়াৰ প্ৰয়োজন অনুভৱ কৰিলে ।

## (খ) বড়োসকলৰ ভৌগোলিক অৱস্থান

ভৌগোলিকভাৱে বৰ্তমান এই বড়ো অধ্যুষিত এলেকাসমূহক কামৰূপ, গোৱালপাৰা, মেঘালয় আৰু পশ্চিম বংগত অন্তৰ্ভুক্ত কৰা হৈছে। ১৯০৩ চনত প্ৰকাশিত Languishes Survey of India আলোচিত অসমৰ বাণীৰ পাৰা মেঘালয়ৰ ফুলবাৰীলৈ বড়ো মানুহৰ বাসভূমি বুলি সেউজীয়া চিহ্নিত কৰি দেখুৱাইছে। ১৮৭২ চনৰ লোকপিয়লত এই এলেকাসমূহত বড়ো জনসংখ্যা অধিক পোৱা গৈছে। এইবোৰে বড়োৰ প্ৰথম লোকপিয়ল গণনা। অৱশ্যে এই লোকপিয়লত দৰং, নলবাৰী, (এতিয়া বাক্সা, চিৰাং, ওদালগুৰি) আৰু অন্যান্য জিলাৰ জনসংখ্যাও সন্নিবিষ্ট কৰিছিল। এই লোকপিয়লৰ তুলনাত বৰ্তমান বড়োৰ জনসংখ্যা বৃদ্ধি কম বুলি অনুমান কৰা হয়। উক্ত লোকপিয়লত ৭৩,০৬৮ জন বড়ো জনসংখ্যা দেখুওৱা হৈছে। উল্লেখনীয় যে টোটোলা আৰু মদাহী বড়ো জনসংখ্যাৰ হিচাপ এই পিয়লত সন্নিবিষ্ট কৰা হোৱা নাই।

বড়ো জনগোষ্ঠী অসমৰ ভৈয়ামৰ জনজাতি সমূহৰ ভিতৰত অন্যতম। বড়োসকল অসমৰ পঞ্চম বৃহত্তম তপশিলি যুক্ত জনজাতি। এই ৰাজ্যত দুইলাখ

উপত্যকাত ৰাভা লোকে বসবাস কৰে। ৰাভা সম্প্ৰদায়ৰ লোকসকল বৃহত্তৰ ইণ্ডো-মংগোলীয় গোষ্ঠীৰ অন্তৰ্ভুক্ত।

কোৱা হয় যে ৰাভা সম্প্ৰদায়ৰ মানুহৰ লগত প্ৰকৃতি আৰু জংঘলৰ এক নিবিড় সম্পৰ্ক আছে। পূৰ্বতে তেওঁসকলে ঝুম খেতি কৰিছিল। ঊনবিংশ শতাব্দীৰ মধ্যভাগত, বৃটিছ ৰাজ শাসকসকলে জলপাইগুৰি, ডুৱাৰ্চ আৰু অসমৰ গোৱালপাৰাক সংৰক্ষিত বনাঞ্চল বুলি ঘোষণা কৰি পেলায়। ইয়াৰ লগে লগে ৰাভাসকলৰ এই জীৱন ধাৰাৰ পৰিৱৰ্তন হয়। বৰ্তমান ৰাভা সম্প্ৰদায়ৰ লোকসকল চাকৰি, ব্যৱসায়, বাণিজ্য ইত্যাদি বিভিন্ন জীৱিকাত নিযুক্ত হৈ অসমৰ আটাইবোৰ জিলাতে সিঁচৰিত হৈ আছে। এই সকলৰ অধিকাংশ বনকৰ্মী অথবা কৃষক।

## (গ) বড়ো সকলৰ বৰ্তমান বাসস্থান ঃ

অসমৰ নানা জনগোষ্ঠী সমূহৰ ভিতৰত এটা বিশেষ জনগোষ্ঠীৰ নাম হিচাপে আমি বড়ো নামটো উল্লেখ কৰিব পাৰোঁ। ইণ্ডো মংগোলয়ড, জনগোষ্ঠীৰ তিব্বত বৰ্মীয় মূলৰ বোডো বোদো বড়োসকল মাইকৈ অসমৰ কামৰূপ, গোৱালপাৰা আৰু দৰং জিলাতেই সিঁচৰিত হৈ আছে। একেদৰে মেঘালয়ৰ গাৰো পাহাৰ, পশ্চিমবংগৰ কোচ বিহাৰ আৰু জলপাইগুৰি, মণিপুৰ, বাংলাদেশ আৰু নেপালতো কিছু সংখ্যক বড়ো লোকে বাস কৰে।

বড়োসকল কেতিয়া কেনেকৈ অসমলৈ আহিছিল, সেই বিষয়ে একাধিক মত পোৱা যায়। চিএচ মুলানৰ মতে বড়ো সকল মূলতঃ বড়ো জনগোষ্ঠীৰ আৰু এই মংগোলীয় গোষ্ঠী কছাৰী, চুতীয়া, গাৰো, কোঁচ, তিৱা, মিচিং আদিৰ সৈতে একে। লেঃকৰ্ণেল ৱাডেলৰ মতে বড়োসকল গাৰোসকলৰ এটা উপশাখা। ড° গ্ৰিয়াৰচনৰ মতে বড়ো হ'ল কছাৰীৰে হিন্দু নাম আৰু বহুসংখ্যক বড়ো প্ৰকৃততে কছাৰীহে। বড়ো জনগোষ্ঠীৰ বিষয়ে গৱেষণা কৰা ড° ভূবন মোহন দাসৰ মতে বড়ো

সকল নিজস্ব ঐতিহ্য, কৃষ্টি, বৈশিষ্ট্য, পৰম্পৰাৰে পৰিপুষ্ট এটা পৃথক তথা স্বতন্ত্ৰ জনজাতি। তেওঁলোক কছাৰী বা গাৰোৰ ঠাল নহয়। দাসৰ মতে মংগোলীয় জনগোষ্ঠীৰ বিভিন্ন দলে এটাৰ পিছত এটাকৈ উত্তৰ আৰু উত্তৰ-পশ্চিম দিশেৰে অসমত প্ৰৱেশ কৰি পাছত বড়ো, গাৰো আদি বিভিন্ন স্বকীয় জনগোষ্ঠীৰূপে পৰিচিত হয়। বুৰঞ্জীবিদ এডৱাৰ্ড গেইটৰ মতেও ৰাভাসকল এটা স্বকীয় বৈশিষ্ট্য সম্পন্ন জনজাতি।

অসমৰ মুঠ অনুসূচিত জাতিৰ ৮.৪০ শতাংশ লোক ৰাভা জনগোষ্ঠীৰ।

## দ্বিতীয় অধ্যায়ঃ ৰাভাসকলৰ উৎসৱ পাৰ্বণ আৰু তাত ব্যৱহৃত বাদ্যযন্ত্ৰ

(ক) বাইখো পূজা
(খ) খোঁচাই মাতিবা লাঙমৰা
(গ) আৰাংগা বা হাচি
(ঘ) হানমোঁৰা বা জাৰীমোৰা
(ঙ) খিচুৰা, খচৰাৰাজী বা খগেজৰী
(চ) আগাৰ বা কালী

* ৰাভা সকলৰ উৎসৱ পাৰ্বণ আৰু তাত ব্যৱহৃত বাদ্যযন্ত্ৰ

ৰাভাসকল উৎসৱ প্ৰিয় হোৱা হেতুকে তেওঁলোকৰ জীৱনধাৰা সংগীতময়। সেয়েহে বিভিন্ন ধৰণৰ বাদ্যযন্ত্ৰ তেওঁলোকে ব্যৱহাৰ কৰে। দেৱদেৱীৰ অৰ্থে সম্পাদিত পূজা-পাতল, কৃষিসম্বন্ধীয় উৎসৱ-পাৰ্বণ, যাদুমন্ত্ৰ বা চিকাৰ সম্বন্ধীয় অনুষ্ঠান, মান্যলোক বা দৰা কইনাক আদৰণিসূচক, যুদ্ধক্ষেত্ৰলৈ ওলাই ওৱা সমদল আৰু মৃতদেহ শ্মশানলৈ নিয়া শোভাযাত্ৰা আদিৰ নৃত্যগীতত বিভিন্ন বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰা হয়।

এওঁলোকৰ প্ৰধান চাৰিটা বাদ্যযন্ত্ৰ হ'ল-

(ক) নলবাঁহজাতী নলুৱাৰ পৰা তৈয়াৰী করুণ সুৰৰ 'কাৱা'।

(খ) ভালুকা বাঁহজাতী চুঙাৰ পৰা তৈয়াৰী উদাস সুৰৰ 'আপকালা' বা 'ছিংগা'।

(গ) কাঁকৈ বাঁহজাতী লুংলুঙাৰ পৰা তৈয়াৰী মন গোমোঠা কৰা সুৰৰ 'বাদুং দুপ্পা'।

(ঘ) বিজুলী বাঁহজাতী ভলুং লুঙাৰ পৰা তৈয়াৰী মন উতলা সুৰৰ 'আংছি' (বাঁহী), দাইদি (কাঠেৰে নিৰ্মিত তৈমেকা)।

অইন দুবিধ উল্লেখযোগ্য বাদ্য হ'ল 'কাড়ানল', বাঁহৰ ওপৰ কাটি বিজুলী বাঁহৰ কাঠিৰে গাঁঠি ফুটাই কাঁকৈ বাঁহৰ ফুটা এমূৰে শিঙাৰ দৰে লগোৱা দি আৰু আনটো মূৰ দিয়া মুখেৰে প্ৰবাহিত জলতৰংগ ঢালি দিলে কাড়ানলৰ মৌসমী সুৰ পোৱা যায়।

(ক) বাইখো পূজা

বাইখো পূজা অসমৰ ৰাভা জনগোষ্ঠীয়ে পালন কৰা কৃষিভিত্তিক উৎসৱ। সাধাৰণতে এপ্ৰিল-মে আৰু অসমীয়া জেঠ মাহত ৰাভা সকলে শস্যৰ আশা আৰু বৰষুণৰ কামনাৰ লগতে তেওঁলোকৰ সুস্বাস্থ্য কামনা কৰি এই উৎসৱ পালন কৰে। ঠাইভেদে বাইখো দুদিনৰ পৰা সাতদিনলৈ অনুষ্ঠিত হয়। ৰাভাসকলে সমাজৰ অপায় অমংগল দূৰ কৰাৰ উদ্দেশ্যে উপাস্য দেৱতাক প্ৰাৰ্থনা জনায় আৰু বলি বিধান আগবঢ়ায়। পৰম্পৰাগত গীত-নৃত্যৰ লগতে প্ৰচুৰ পৰিমাণৰ পানীয়ৰ ব্যৱহাৰেৰে অতি উৎসাহ আনন্দৰে এই উৎসৱ পালন কৰা হয়।

## (ম) কেঁচাই খাতি বা লাঙমৰা

কেঁচাই খাতি বা লাঙমৰা ৰাভাসকলৰ বসন্তকালীন পৰিৱেশত পালন কৰা এটা প্ৰধান অনুষ্ঠান। এই অনুষ্ঠানটোৰ উপাস্য দেৱতা হৈছে বুঢ়ালাংটা আৰু দেৱী হৈছে কেঁচাইখাতি বা মহামায়া। ৰাভাসকলে এই অনুষ্ঠান মানত পালন কৰে। এই অনুষ্ঠানটোত উপলক্ষ্যত ৰাভাসকলে ঘৰ-দুৱাৰ, আলি-পদূলি চাফ চিকুণ কৰি উপবাসত এক পালনত আগৰেদি দেওধনী নচুৱাই গাওঁত পাৰে অপায় অমংগল দূৰ কৰাৰ বিশ্বাসত কল পটুৱাৰে নিৰ্মিত এটা ভেউৰ তুলি বেঁচা ভোগ এজোৰ গোটোমাৰে কৰি নদীত উটুৱাই দিয়ে। এই পূজাত বিভিন্ন দেৱ দেৱীক বিভিন্ন বলি বিধানেৰে আদৰাৰ লগতে গীত-নৃত্যৰে দিনটো অতিবাহিত কৰে। এই গীত-নৃত্যত বিহুতে নানা ধৰণৰ বাদ্যযন্ত্ৰ বজায়।

(গ) মাথং'গা বা হাচি

এই পূজা গাঁৱত আতি মৰক, কটা মৰা, অপমৃত্যু বা মহামাৰি আদি হ'লে এইবোৰৰ পৰা হাত সাৰিবলৈ পালন কৰা হয়। এই পূজা প্ৰতিবছৰে চত মাহতেই কোনোবা মংগল বা শনিবাৰে আৰেলী হাচি পূজা অনুষ্ঠিত কৰে। এই পূজা অনুষ্ঠিত কৰিলে পাৰ হৈ যোৱা বছৰটোৰ সকলো অপবাদ, অপৰাধি, অপকৰ্ম আভিষন হোৱা বুলি কোৱা হয়। এই অনুষ্ঠানত নাবালক লৰা ছোৱালী, তিৰোতা সকলে অং'শ গ্ৰহণত পাবো বিভত থাকে।

(ঞ) হানমোৰা বা তাৰীমোৰা

বহাগত প্ৰথম দিনাৰ পৰা সাতদিনলৈকে আতৈসকলে হাঁনাইখোঁৱা নুচুৱাই। তেওঁলোকেও এই লোকানুষ্ঠানটোত আবিৰ্ভাৱৰ সৈতে বিজড়িত দক্ষ মহাদেৱে তাণ্ডৱ নৃত্যত হাঁহে ভাঙি দলি বিশ্বাস কৰে। এই হানমোৰাটো সাজি লোৱা হয় বাঁহৰ পাবা। এই হানমোৰাটো বাঁহৰ পাবো সাজি উলিওৱাৰ পিছত এখন বাকলুৱা স্থানত বিহুৰ প্ৰথম দিনা বৈতী শিৱৰ পূজা আগবঢ়ায়। এই পূজাত কুকুৰাৰ কণী দুটাত সেন্দুৰৰ ফোঁট দি 'বুঢ়ালাঙা'ৰ নামত হানমোৰাত শিৰত লগায় দিয়ে। হানমোৰা ঘূৰাওঁতে বিভিন্ন ধৰণৰ গীত-নৃত্য পৰিৱেশন কৰে। সাত বিহুৰ দিনাহে হানমোৰাৰ সামৰণি মাৰে।

(ঙ) বিচুৱা, বন্ধু বাড়ী বা বয়োৱাৰী

অন্যান্য জনগোষ্ঠীৰ দৰে ৰাভাসকলেও গৰু গা ধুৱাই কাঁহী চোতাল সাৰি মাটি মচি পুৰণি বছৰক বিদায় দিয়ে। ৰাভাসকলে বছৰৰ প্ৰথম দিনটোত পূৰ্ব পুৰুষ সকলক স্মৰণ কৰি পূজা-পাতল, মদ আৰু নতুন সাজপাৰ আদি অৰ্পণ কৰে।

(চ) জাগাৰ বা কালী

চ'ত বহাগ বা জেঠ মাহত দেওধনী নচুৱাই ৰাভাসকলে জাগাৰ পূজা পালন কৰে। এই পূজাত প্ৰয়োজনীয় সামগ্ৰী হৈছে কল, চাউল, চেনি আদি। এই পূজাত বলিবিধান নাথাকে। তেওঁলোকে দেওধনীৰ পৰা ভূত-ভৱিষ্যতৰ বাতৰি লয়।

তৃতীয় অধ্যায়ঃ বাগানসকলৰ নৃত্য গীত আৰু তাত ব্যৱহৃত বাদ্য যন্ত্ৰ

(ক) লোক নৃত্যত ব্যৱহৃত বাদ্যযন্ত্ৰ

(খ) লোক গীতত ব্যৱহৃত বাদ্যযন্ত্ৰ

*(ক) বড়োসকলৰ নৃত্য গীত আৰু তাত ব্যৱহৃত বাদ্যযন্ত্ৰ:

বিভিন্ন জাতি-জনজাতি অমলৰে সমৃদ্ধ অসমৰ বাদ্য যন্ত্ৰৰ ইতিহাস পুৰণি আৰু বৰ্ণাঢ্য। লিপি, ফলি আৰু পুৰণি পুথিৰ উল্লেখ তথা প্ৰাচীন মূৰ্তি আৰু চিত্ৰৰ পৰাও অতীত অসমৰ পৰম্পৰাগত বাদ্যযন্ত্ৰৰ বিষয়ে ধাৰণা কৰিব পাৰি। প্ৰাচীন মূৰ্তিৰ হাতত যিবোৰ বাদ্যযন্ত্ৰ পোৱা যায় তাৰ ভিতৰত বীণা, কালি, ঢোল আৰু ডম্বৰুৱেই প্ৰধান।

পুৰণি পুথিত আমি বাদ্য যন্ত্ৰৰ এক দীঘলীয়া তালিকা পাওঁ। অৱশ্যে বহুক্ষেত্ৰত এইবোৰ কাব্যিক পৰম্পৰা জনিত বুলি ভবাৰ অৱকাশ আছে।

অসমৰ বৰ্তমান বড়োসমাজত প্ৰচলিত মলুৱা বাদ্য যন্ত্ৰ সমূহৰ ভিতৰত বুৰবেঙা, গোবেনা (গগনা), নাকৰ বিন্ধাৰে বতাহ উলিয়াই বজাব পৰা সাঁচিৰে নিৰ্মিত নালা চুং প্লাই বা সু গৰ্বমেল আৰু কান্থুকুৰী (মুঠি তাল) আদি।

বড়োসকলৰ ঋতুকালীন বাদ্য (Seasonal organ) কেতবোৰ ব্যৱহাৰ কৰে, যিবোৰ কেৱল এটা ঋতু বা বতৰত তৈয়াৰ কৰি বজাব পাৰি। এনে বাদ্যৰ ভিতৰত হ'ল কলঠকুৱা এটা সমানে দুভাগ ফালি তৈয়াৰ কৰা 'কলকতক' (টকা), বাঁহৰ চুঙাত গাহৰি মুখাপাশ লোৱাই কৰা গুল দুম দুম (ডুলুকী) বাঁহৰ কাঠি এডাল দুফাল কৰি

তাত দুটা প্ৰধান মানুহৰ খোলা খাদি দি বাঁহৰ আবিৰে তল ওপৰ কৰি কোবাই তালৰ দৰে উঠাত উলিওৱা বাদ্য 'চেচাং' ইত্যাদি।

উল্লেখযোগ্য যে বাদ্যযন্ত্ৰবোৰ কোনো নিৰ্দিষ্ট সময় বা উদ্দেশ্যতহে বজাবলৈ দিয়া হয়। যিকোনো বাদ্যযন্ত্ৰ যিকোনো সময়ত বজোৱা নিষেধ আৰু সেইদৰে যাক তাকে সকলো বাদ্য বজাবলৈ দিয়াও নহয়। অৰ্থাৎ স্থান-কাল পাত্ৰভেদে ৰাভা বাদ্য যন্ত্ৰতকৈ ৰাভাসকলৰ বাদ্যযন্ত্ৰ সুকীয়া বৈশিষ্ট্যসম্পন্ন।

অসমৰ বাকী বহনীয়া কৃষ্টি আৰু জনজাতিত আজিও এনে কিছুমান বাদ্যযন্ত্ৰ ব্যৱহাৰ আছে যিবোৰ অতি উচ্চ মাপৰ, বিশেষকৈ বাঁহেৰে নিৰ্মিত বাদ্যত লেখত অসমে নিশ্চয়কৈ গৌৰৱ কৰিব পাৰে। নানা প্ৰকাৰৰ বাঁহী, গগনাত লগতে, বাদুং দুপ্পা আদি বৈচিত্ৰ্য পূৰ্ণ বাদ্য। অসমৰ বাদ্যযন্ত্ৰৰ বিশিষ্টতাত জনজাতি সমাজৰ বৰঙণি অতি বেছি। বিশেষকৈ ৰাভা জনজাতিয়ে যে বাদ্যযন্ত্ৰৰ ইতিহাসত বিশেষ বৰঙণি আগবঢ়াইছে। তলত ৰাভা জনগোষ্ঠীৰ লোক নৃত্য আৰু তাত ব্যৱহৃত বাদ্যযন্ত্ৰৰ বিষয়ে আলোচনা কৰা হ'ল।

(ক) লোক নৃত্যত ব্যৱহৃত বাদ্যযন্ত্ৰ :

অসমীয়া সংস্কৃতিৰ বিভিন্ন উৎসৱ-পাৰ্বণ, নৃত্য-গীত আদিৰ লগতে পৰম্পৰাগতভাৱে সংগত কৰা বাদ্যযন্ত্ৰসমূহক লোক বাদ্য আখ্যা দিয়া হয়। প্ৰাচীনতম পুথিবোৰত বাদ্যযন্ত্ৰৰ উল্লেখ আছে। ৰাভা সংস্কৃতিত লোক নৃত্য সমূহৰ স্থান উল্লেখযোগ্য। এই লোকনৃত্য সমূহত নানা ধৰণৰ বাদ্য যন্ত্ৰ ব্যৱহাৰ কৰা হয়। তলত এই বিষয়ে উল্লেখ কৰা হল :

* ৰাভা সংস্কৃতিত ফাৰাকান্তি নৃত্য :

আদিম মানুহৰ গীত আৰু নৃত্যৰ উপলক্ষ প্ৰকৃতি। ৰাভাসকলৰ ফাৰাকান্তি নৃত্য হল মৃতকৰ প্ৰতি শ্ৰদ্ধা জনাই শ্ৰাদ্ধ ক্ৰিয়াত আয়োজন কৰা নৃত্য। সেইকাৰণে ইয়াক শ্ৰাদ্ধ নৃত্য বুলিও কোৱা হয়। এই নৃত্যৰ সৃষ্টি সম্পৰ্কে ৰাভা জনজাতি সকলৰ মাজত এক লোক প্ৰবাদ আছে। আদিতে এই জনজাতিৰ লোকসকলে নিজৰ, পৰিয়ালৰ তথা সমাজৰ লগতে অন্যান্য লোকসকলক ৰক্ষা কৰিবলৈ যি কোনো সময়তে আন আন দলৰ মানুহৰ লগত লৈ যুজ কৰিবলগীয়া হৈছিল। যুদ্ধত কোনো লোকৰ মৃত্যু হলে শ্ৰাদ্ধৰ দিনা এই নৃত্য কৰা হৈছিল।

## * বড়ো সকলৰ অন্যতম লোক নৃত্য হাঁনযোৱা

আমাৰ মাতৃভূমি অসমখন সঁচাকৈ ভাগ্যবান। ইয়াত বিভিন্ন জাতি জনগোষ্ঠীয়ে বাস কৰে। বিভিন্ন জাতি জনগোষ্ঠীৰ মিলন ভূমি এইখন অসমতে বাস কৰে ভূমিপুত্ৰ বড়ো জনগোষ্ঠীৰ লোক-সকলে। তেওঁ লোকৰ অতি আপোন এটি প্ৰিয় নৃত্য হ'ল হানযোঁৱা। হানযোঁৱা নৃত্যক তেওঁ লোকে পূজা হিচাপেও পালন কৰে। বড়ো জনগোষ্ঠীৰ অন্যতম এটা গাঁৱৰ নাম হানা। এই হানাত পোনতে হানাঁযোৱা হৈছে। হানা গাঁৱৰ সকলে যোন সময়ে নচুওৱা এই নাচক অথবা নৃত্যকে হানাযোঁৱা নৃত্য বুলি কোৱা হয়। অতীত কালত বড়ো সমাজত হানযোঁৱা নৃত্যৰ ব্যাপক প্ৰচলন আছিল। বৰ্তমানে এই বহাগ মাহতে হানযোঁৱা নৃত্য কৰা হয়। এই নৃত্যত ব্যৱহাৰ হোৱা বাদ্য আৰু নৃত্যত ভিতৰত বিশেষকৈ তলোৱাল দুখন, বাঁহী দুটা, শিঙা এযোৰ, আদলা দুটা, ঢাল দুখন আৰু যাঠি এডাল থাকে।

## * বাইহো উৎসৱত নৃত্য

অসম আৰু মেঘালয়ৰ বড়োসকলৰ উল্লেখযোগ্য বসন্ত উৎসৱ বাইহো। ই মূলতঃ কৃষি উৎসৱ। কৃষি কাৰ্যৰ আৰম্ভণিত লগা লাগে ইয়াক পালন কৰা হয়। এই উৎসৱত পুৰোহিত প্ৰমুখ্যে সমাজৰ বুঢ়াসকলে "হুমমাৰু" গীত গায়। "হুমমাৰু" দেৱস্তুতি আৰু আমাৰ বড়োসকলৰ প্ৰাচীন বীৰ বীৰাংগনাসকলৰ স্মৃতি বিজড়িত কাহিনী গীত। এই উৎসৱত আবিবৈ যুৱক যুৱতীসকলে "দাখাৰগীত" গায়। "বাইহো" পৰ্বত বড়ো যুৱক-যুৱতীৰ প্ৰণয় মূলক নৃত্য গীত পৰিবেশনত যোগোদি যৌনসম্বন্ধত প্ৰেম অনুভূতি জাগ্ৰত কৰিবলৈ বহুমুখিক ইংগিত দিয়ে, যাতে আমাত বড়োসকলত যৌন উত্তেজক হয়। জোৰাত গীত বোলত বিহুত ঠৈতে সাদৃশ্য মনকাঢ়িবলগীয়া। এই নৃত্যতো বিহুত নিচিনাকৈ ঢোল, পেঁপা, বাঁহী, গগনা আদি বাদ্যযন্ত্র ব্যৱহাৰ কৰা হয়।

*বড়োসকলৰ লোকগীত আৰু তাত ব্যৱহৃত বাদ্যযন্ত্ৰ

সংগীতৰ সৰ্বপ্ৰথম ৰূপ হৈছে লোকসমাজত মৌখিক ৰূপত প্ৰচলিত হৈ থকা লোকগীত বা লোক কবিতাসমূহ। এটা জাতিৰ বুৰঞ্জী স্বৰূপ এই লোকসংগীত সমূহে সেই জাতিটোৰ বুৰঞ্জীৰ লগতে সাংস্কৃতিক পৰিচয়ো বহন কৰে। লোক সমাজত মৌখিকভাৱে প্ৰচলিত হৈ অহা গীত পদবিলাক লোকগীত, জনজাতীয় সমাজত প্ৰচলিত হৈ অহা গীত পদবিলাক জনজাতীয় গীত আৰু শাস্ত্ৰনিৰ্দেশিত পথ বা মাৰ্গৰ দ্বাৰা অনুশাসিত বা নিয়ন্ত্ৰিত গীতেই শাস্ত্ৰীয় বা মাৰ্গীয় গীত।

বড়োসকল তিব্বতবৰ্মীয় ভাষা গোষ্ঠীৰ এটা শাখা অসমত বসতি বড়োসকলৰ অন্তৰ্গত এটা জনগোষ্ঠী। তেওঁলোকৰ কেইবাটাও ভাগ থকা দেখা যায়। সেই ভাগসমূহ হৈছে- ৰাংদানী, পাতি, আইতাৰী, বিটলীয়া, হানা, চোঙা, চৌটলা, দাহৰী, মদাহী, আদি। আন আন জনগোষ্ঠীৰ মাজত থকাৰ দৰে বড়ো জনগোষ্ঠীৰ মাজতো পৰম্পৰাগতভাৱে বিভিন্নধৰণৰ গীত মাত প্ৰচলিত হৈ আহিছে। বিভিন্ন উৎসৱ-অনুষ্ঠানত পৰিৱেশন কৰা বড়োসকলৰ গীত পদবোৰ হৈছে- আৰেলান, খুলা গীত, ভেৱী গান, কুকুলীয়া, ওজাপালী, নামজগীত, কাহিনী গীত, নিৰ্কাম, আখাৰ আদি।

সাংস্কৃতিক জগতত ৰাভাসকল অতি চহকী বুলিলেই কব লাগিব। কিন্তু অতি পৰিতাপৰ বিষয়টো হ'ল এই যে, আমি আজি সভ্যতাৰ শীৰ্ষত উপনীত হোৱা সত্বেও সেইবোৰক উদ্ঘাটন কৰিব পৰা নাই অথবা প্ৰতিভাও ইয়াক বাস্তৱত ৰূপ দিব পৰা নাই। ইয়াৰ ফলত জাতিও সেইবোৰক বিশ্ব দৰবাৰত বহুৱাব পৰা নাই আৰু সেয়েও এক ঘোৰ অন্ধকাৰৰ মাজত আবদ্ধ হৈ থাকিবলগীয়া হৈছে।

জাতি ৰাভাসকলৰ মাজত বহুলভাৱে প্ৰচলিত বসুৰতী গীত, মচো সেমদা গীত, আৰৈ পূজাৰ গীত, বিয়া গীত, ভেলুকা নাচৰ গীত, গৰ-মায়া গীত, নিচুকনি গীত, বৰশী বোৱা গীত, ভাৱী গানৰ গীত, কাতি পূজাৰ গীত, পাতি ৰাভা ভাষাৰে মিশ্ৰিত প্ৰভাতী আৰু গোৱালপৰীয়া ভাষাৰে মিশ্ৰিত পাদহুতান গান, খা বেসাৰ খেদা গীত, বাঁশীত গান, খেলাৰ গান আদি পাতি ৰাভাসকলৰ ভাষাৰে ৰচিত। এই গীতসমূহত ব্যৱহৃত বাদ্যযন্ত্ৰ সমূহৰ বিষয়ে তলত আলোচনা কৰা হ'ল:

*আগে ভারতে প্রচলিত বাদ্যসম্পর্কে চারটি শ্রেণীতে শ্রেণীবদ্ধ করি আলোচনা করা হয়। সেগুলো হল:

(i) তত (তাঁরের যন্ত্র বা বাদ্য)।

(ii) সুষির (ফুঁ দি বাজানো হয়)।

(iii) আনদ্ধ (চামড়ার ছাউনি দেওয়া যন্ত্র)।

(iv) ঘন (আবরণহীন ধাতু বা নির্মিত তাল রক্ষা যন্ত্র)।

(i) তত বাদ্যঃ অসমৰ বিভিন্ন অঞ্চলত প্ৰচলিত তাঁৰৰ যন্ত্ৰৰ ভিতৰত দোতৰাই আটাইতকৈ জনপ্ৰিয়। নামনি অসমৰ বোড়ো জনগোষ্ঠীৰ অঞ্চলত প্ৰায়েই দোতোৰা বজোৱা হয়। উজনি অসমত এই যন্ত্ৰৰ নাম 'টোকাৰী'। এই বাদ্যত চাৰি ডাল তাঁৰ থাকে। ইয়াৰ মাজৰ দুডালে সুৰ ৰক্ষা কৰে আৰু বাকী দুডালে উচ্চ আৰু নিম্ন স্বৰ উৎপাদন কৰে।

* বীণা বা বেনুঃ বীণা বা বেনু হল তাঁতৰ বেছি বজোৱা বাদ্য। বৰ্তমানো গোৱালপাৰাৰ বোড়ো অঞ্চলত এই বাদ্যৰ ব্যৱহাৰ হোৱা দেখা যায়। 'কুশান গান' অনুষ্ঠানত ই এক আৱশ্যকীয় বাদ্য।

* চেৰ্জাঃ চাৰিও তাঁত বেশ দি বজোৱা বাদ্য যন্ত্ৰ। ইয়াৰ ব্যৱহাৰ বিশেষকৈ কাছাৰী জনজাতিৰ মাজত বেছি। তেওঁলোকে ইয়াক চেৰ্জা বুলি কয়। লাওটোকাৰী বা একতাৰা লাও খোলা একেডাল তাঁৰ বান্ধি এটা আঙুলিৰে মাত উলিয়ায়। এই বাদ্যযন্ত্ৰৰ গঠন অতি সৰল। ব'ৰাগী জাতীয় গায়কে এনে বাদ্য বজোৱা দেখা যায়।

(ii) সুষিৰ বাদ্যঃ অসমত প্ৰচলিত এই শ্ৰেণীৰ যন্ত্ৰ ভিতৰত অসমত বাঁহী, পেঁপা, শিঙা, কালি বা তালাই আৰু সংখই প্ৰধান । বাঁহী শাস্ত্ৰীয় আৰু লোক সংগীত উভয় ক্ষেত্ৰতে ব্যৱহাৰ হয় । তলত এই বাদ্যসমূহৰ বিষয়ে আলোচনা কৰা হ'ল ঃ

* পেঁপাঃ পেঁপা, শিঙা আদি সুষিৰ বাদ্যৰ ভিতৰত বড়ো জনগোষ্ঠীৰ মানুহৰ আটাইতকৈ জনপ্ৰিয় আৰু নিজস্ব বৈশিষ্ট্যপূৰ্ণ বাদ্য । মাগতি বা নলেৰে মূল যন্ত্ৰটো সাজি তাত ম'হৰ শিং বা আন নলী লগাই পেঁপা তৈয়াৰ কৰা হয় । বিহুগীতত পেঁপাৰ স্থান অতি গুৰুত্বপূৰ্ণ । শিঙাৰ পেঁপাত এটা সংকেতন, সংগীত সৃষ্টি কৰাত উপৰিও ধৰ্মীয় আৰু সামাজিক ক্ৰিয়া আচৰণত অংগ হিচাপেও শিঙা জাতীয় বাদ্যৰ ব্যৱহাৰ হয় । শিঙা কেইবা প্ৰকাৰৰ আছে, যেনেঃ মনশিঙা, ধামশিঙা আৰু ৰণশিঙা ।

*চাংছি

প্ৰাচীন কালৰে পৰাই আধিক জনপ্ৰিয়তা অৰ্জন কৰা সুষিৰ বাদ্য হৈছে চাংছি (বাঁহী)। কৃষ্ণৰ লগত যুক্ত হোৱাৰ বাবে বৈষ্ণৱ সাহিত্য আৰু লোকগীতত বাঁহীৰ (বংশী, মুৰুলী, বেণু) উল্লেখ আছে। বাঁহীৰ ব্যৱহাৰত ৰাভা জনজাতি সকল আধিক আগবঢ়া। বাঁহেৰে নিৰ্মিত এইবিধ বাদ্যযন্ত্ৰ অসমীয়া জনজীৱনত অতি ঘৰুৱা। “মুখ বাঁহী” বা “কম বাঁহী” গোৱালপাৰা অঞ্চলত প্ৰচলিত বিশেষ এবিধৰ বাঁহী। বিশেষকৈ মনসা পূজাৰ লগত জড়িত অনুষ্ঠানত ব্যৱহাৰ হোৱা এইবিধ বাঁহীত এমূৰে এটা মলমা লগোৱা থাকে; যত ফুঁ দিলে কিছু বতাহ বৈ যায় আৰু আপোনাবিকত লাও লগোৱা বাঁহীৰ নিচিনাকৈ ছিগি নোযোৱা সুৰ তোলে।

* কালি : কালিৰ ধ্বনি সৃষ্টিৰ পদ্ধতি বহুখিনি পেঁপাৰে দৰেই। কিন্তু পেঁপাৰ তুলনাত কালিত সংগীত উৎপাদন যোগ্যতা অধিক। গোৱালপাৰাৰ ৰাভা জনগোষ্ঠীৰ অঞ্চলত ইয়াৰ ব্যৱহাৰ কিছু ব্যাপক আৰু ইয়াত তোলা সুৰে প্ৰাণ চুৱে।

(iii) আনদ্ধ বাদ্যঃ অসমত প্ৰচলিত বাদ্যৰ ভিতৰত এই শ্ৰেণীৰ সংখ্যা আটাইতকৈ অধিক। প্ৰতিটো জনজাতীয় গোষ্ঠীৰ নিজৰ নিজৰ বিশেষ এক বা একাধিক আনদ্ধ যন্ত্ৰ। বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰচলিত আনদ্ধ যন্ত্ৰৰ বিষয়ে তলত আলোচনা কৰা হ'ল:

* ঢোলঃ ঢোল হ'ল আনদ্ধ বাদ্যৰ ভিতৰত অধিক জনপ্ৰিয়। বিহু গীত আৰু নৃত্যৰ অনুষংগ হিচাপে বিহু ঢোলৰ মহত্ত্ব অপৰিহাৰ্য। ঢোলৰ ছেৱৰ আৰু ধ্বনি বৈচিত্ৰই চমক লগাই দিব পাৰে। নামনি অসমত ঢুলীয়া আৰু ভোৰতীয়া দলে সততে পাব আত্মতুষ্টি বিভাগকৰাৰ বিভিন্ন ঢোল বজায়। ডাঙৰ ঢোল এজোখৰ দীঘ তিনি চাৰি হাত আৰু বেৰ ডেৰ দুই হাত হয়। অন্য ঢোল আকাৰত অলপ সৰু, ইয়াক দেওধানী নৃত্যৰ লগত ঢুলীয়াই নিজে ও নাচি নাচি বিচিত্ৰ ভংগিত বজায়। ঢোপাঢোল মঙলদৈ অঞ্চলত প্ৰচলিত। দুলাল মাহন্ত পানী ভেলাই ইলে বৰোৱা প্ৰবৰ্তিত ঢোলৰ মাত সুৰ সঙ্গীত।

* কৰকা, তাৰচা : এই বাদ্যবিধি বিশেষকৈ নামনি অসমত বিয়া সবাহত ঢুলীয়াৰ দলত বজোৱা হয়। চেপেটা আকৃতিৰ এফালে দুফালে মাৰিবে কোবাই বজোৱা এই বিধি ঢোল জাতীয় বাদ্যত সংগীত সৃষ্টি চিত্তাকৰ্ষক।

* দগৰ : এক পিঠিয়া ঢোলত দুহে এমূৰে খোলা আৰু আনমূৰে মুকলা লগোৱা বাদ্য হ'ল দগৰ। ইয়াক এহাতে থিতি আনহাতেৰে বজোৱা হয়।

* ঢাক : গোৱালপাৰা অঞ্চলত অধিকভাবে প্ৰচলিত। এই অঞ্চলত কালী চণ্ডীৰ নাচ, কালী-পূজাত নাচ আদিত এই বিধি বাদ্যত ব্যৱহাৰ হয়।

* নাগৰা : নাগৰা এক অন্যতম আনদ্ধ যন্ত্ৰ। মূলত পশ্চিমৰ পৰা আহিছে যদিও বৰ্তমান ই আমাৰ খলুৱা জীৱনত সোমাই পৰিছে। নামত নাগৰাৰ ব্যৱহাৰ অতি ব্যাপক।

* খোল : অসমৰ ভক্তি আন্দোলনত এটা অতি গুৰুত্বপূৰ্ণ বাদ্য হ'ল খোল। খোল আৰু মৃদং একে জাতীয় বাদ্য। অৱশ্যে দুয়োটাৰে মাজত কিছু পাৰ্থক্য আছে। মৃদং মাটিৰে তৈয়াৰী (মৃৎ + অং'গ = মৃদং'গ) মাটিৰে নিৰ্মিত খোলো আছে। দিহিং আৰু মাজ সত্ৰসমূহত মৃদং'গৰ ব্যৱহাৰ হয়। দৰা ও অসমীয়া সমাজত প্ৰবীণকৈ নামঘৰ ব্যৱহাৰ হয়।

(iv) ঘন বাদ্য : তাল ৰক্ষা কৰিবলৈ এই বাদ্যৰ ব্যৱহাৰ কৰা হয়। ঘন বাদ্যৰ ভিতৰত অসমত বাৰো অপ্ৰচলিত প্ৰচলিত হয় আৰু সৰু-ডাঙৰ বিধি তাল। 'ৰামতাল' আৰু 'কৰতাল' কাঁহেৰে নিৰ্মিত, কাঁহৰ টকাও ঘন বাদ্যৰ অন্তৰ্গত। ধাতুৰে তৈয়াৰী প্ৰধান ঘন বাদ্য হ'ল : তাল, কাঁহ আৰু ঘন্টা।

* তাল : তাল কেইবা প্ৰকাৰৰো আছে। সৰু তালক পাতি তাল, খুটি তাল, মন্দিৰা, মঞ্জিৰি বা মঞ্জৰিকা বোলে আৰু ডাঙৰ তালক ভোৰতাল, ভোটতাল বা খেতেভী তাল বোলে। খেতেভী তাল বৰগীত বজোৱা হয়। ওজা পালিয়ে খুটি তাল ব্যৱহাৰ কৰে।

* কাঁহ, ঘন্টা আদি বাদ্য- যন্ত্ৰ হলেও সাংগীতিক অনুষংগ হিচাপে অসমত এইবোৰৰ ব্যৱহাৰ কম। কাঁহ সাধাৰণতে দুবিধ : সৰু কাঁহ আৰু বৰকাঁহ। ঘন্টাও এবিধ বাদ্য যন্ত্ৰ, সৰু ঘন্টাক আমি টিলিঙা বোলো। কঁকালত বন্ধা সৰু সৰু ঘন্টাক কিং কিনী আৰু ভৰিত বন্ধা ওবক 'জুনুকা' বোলে। জুনুকাৰ উন্নত ৰূপ নূপুৰ আৰু ঘাগোৰা।

এইখিনিত উল্লিখিত আন কিছুমান বাদ্য আছে যিবোৰ এই চাৰিওটা শ্ৰেণীত কোনোটোতে হিচাপে শ্ৰেণীভুক্ত কৰিব নোৱাৰি। গগনা, বেণু বা বাঁহী আদি এনে বাদ্য। গগনা বজাওঁতে যেনেকৈ মুখৰ বতাহে কাম কৰে তেনেদৰে হাতেৰেও লগাই থাকিব লাগে। সেয়ে ইয়াক বিশেষ শ্ৰেণীত অন্তৰ্ভুক্ত কৰিব নোৱাৰি। গগনাৰ ব্যৱহাৰ অতি ব্যাপক। জনজাতি সমাজতো ইয়াৰ বিশেষ সমাদৰ আছে। বিশেষকৈ বড়ো সমাজত এই বাদ্য বিধৰ ব্যৱহাৰ অধিক পৰিমাণে হোৱা দেখা যায়। গগনাক প্ৰেম নিবেদনৰ চিন হিচাপে ব্যৱহাৰ কৰা হয়। বড়োসকলে গগনাক গংগোনা বুলি কয়।

এইখিনিত সমলৰ দ্বাৰা জানিব পৰা যায় যে অসমৰ বাদ্যযন্ত্ৰৰ বিশিষ্টতাৰ দ্বাৰা জনজাতি সমাজত বহুধৰণি উল্লেখযোগ্য।

## চতুর্থ অধ্যায় ঃ (ক) আমরাণি

## * ক) আমৰণি

মোৰ এই ক্ষুদ্ৰ গৱেষণা প্ৰকল্পটোত পোন প্ৰথমে ৰাভা জনগোষ্ঠীটোৰ বিষয়ে এটি চমু মূলমূল বিৱৰণ আগবঢ়াব চেষ্টা কৰিলো।

দ্বিতীয়তে এই গৱেষণা প্ৰকল্পটোত ৰাভা জনগোষ্ঠীটোৰ উৎসৱ পাৰ্বন আৰু তাত ব্যৱহৃত বাদ্যযন্ত্ৰৰ ওপৰত আগবঢ়াবলৈ চেষ্টা কৰা হৈছে।

তৃতীয়টো এই গৱেষণা প্ৰকল্পটোত ৰাভা জনগোষ্ঠীৰ নৃত্যগীত আৰু তাত ব্যৱহৃত বাদ্যযন্ত্ৰৰ ওপৰত ভিত্তি কৰি কিছু আলোচনা আগবঢ়াবলৈ চেষ্টা কৰিছো।

সৰ্বশেষত মোৰ এই গৱেষণা প্ৰকল্পটো যুগুত কৰোঁতে কিছুমান ভুল বা কিছুমান অসংগতি ৰৈ থাকিব পাৰে। সেয়ে বিভাগীয় কৰ্তৃপক্ষত গুৰুত্ব এয়ে আপোনালোক যাতে এই ভুলবোৰৰ বাবে ক্ষমা কৰে আৰু শুধৰণি কৰি দিয়ে।

এয়ে মোৰ আপোনালোকৰ ওচৰত সৰল প্ৰাৰ্থনা গোহাৰি।

## গ্ৰন্থপঞ্জী

১/ তালুকদাৰ, ধীৰকুমাৰ — অসমৰ বিভিন্ন জনগোষ্ঠীৰ লোক উৎসৱ

২/ ৰাভা, ৰোহিত — লোক-সংস্কৃতিৰ সাঁফুৰা

৩/ ৰাভা হাকাচাম, উপেন্দ্ৰ — ৰাভা লোক সংস্কৃতি (2006) (অসম প্ৰকাশন পৰিষদ)

৪/ ৰাভা, অনুপমা — ৰাভা ভাষাৰ ভাষাতাত্ত্বিক অধ্যয়ন

৫/ ৰাভা হাকাচাম, উপেন — ৰাভা মিজ ভাষা আৰু নিদৰ্শন















# বড়ো জনগোষ্ঠীৰ বৈসাগু উৎসৱ সম্পৰ্কে এটি ক্ষেত্ৰ অধ্যয়ন

গুৱাহাটী বিশ্ববিদ্যালয় ষান্মাসিকৰ 6056 কাকতৰ আংশিক
পৰিপূৰ্তি হিচাপে প্ৰস্তুত কৰা ক্ষেত্ৰ অধ্যয়ন পত্ৰ


**নাম – তেজা বসুমতাৰী**

**ৰোলনং : UA- 191- 097- 0503**

**ৰেজিষ্ট্ৰেশন নং : 19023218**


**স্নাতক তৃতীয় বৰ্ষ**

**ষষ্ঠ ষান্মাসিক**

**দুধনৈ মহাবিদ্যালয়, দুধনৈ গোৱালপাৰা (অসম)**

**শিক্ষাবৰ্ষ – ২০২১–২০২২ ইং চন**

# DUDHNOI COLLEGE, DUDHNOI

## GOALPARA, ASSAM

From,

Date: 13/06/2022

Sikha Sharma

Assistant Professor

Department of Assamese,

Dudhnoi College, Dudhnoi

## To whom it may concern

This is to certify that Teja Basumatary, class 6th Semester, Assamese (Honours), Roll-UA-191-097 No-0503 completed his/ her field study report from our guidance.

He completed the work in time and within jurisdiction.

I wish his/her success in life.

Department of Assamese
Dudhnoi College, Dudhnoi
Goalpara, Assam

Sikha Sharma

Assistant Professor

Department of Assamese,

Dudhnoi College, Dudhnoi

# পাতনি

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনৰ মহাবিদ্যালয়সমূহত ষষ্ঠ ষাণ্মাসিক অসমীয়া প্ৰধান বিষয়ৰ ছাত্ৰ-ছাত্ৰীসকলক বিশেষ স্থান, জনগোষ্ঠী উৎসৱ পাৰ্বন, লোকাচাৰ লোক পৰিবেশ্য কলা, লোক সাহিত্য, লোক ভাষা আদি যিকোনো এটা বিষয়ৰ ওপৰত ক্ষেত্ৰ অধ্যয়ন কৰি এখনি ক্ষুদ্ৰ গৱেষণা পত্ৰ বা অধ্যয়ন প্ৰস্তুত কৰিবলৈ দিয়া হৈছে। এই উদ্দেশ্য আগত ৰাখি "বড়ো জনগোষ্ঠীৰ 'বৈসাগু উৎসৱ'" শীৰ্ষক এখনি গৱেষণা পত্ৰ প্ৰস্তুত কৰিবলৈ প্ৰয়াস কৰিছোঁ।

এই গৱেষণা পত্ৰত বড়ো জনজাতিৰ ইতিহাস, বসতিস্থল, সমাজ-জীৱন, বৈসাগু উৎসৱ, বৈসাগু উৎসৱৰ লগত জড়িত পৰম্পৰা আৰু লোকবিশ্বাস আদিৰ চমু আভাস দিবলৈ প্ৰয়াস কৰা হৈছে। বৈসাগু উৎসৱৰ প্ৰধান অংগ- 'মোছৌ' ছাব (গৰু বিহু), মানছি ছাব (মানুহ বিহু) আদিৰ চমু আভাস দাঙি ধৰা হৈছে। সেয়েহে গৱেষণা পত্ৰখনৰ গুৰুত্ব অধিক।

# কৃতজ্ঞতা স্বীকাৰ

অসমীয়া প্ৰধান বিষয়ৰ ক্ষেত্ৰ অধ্যয়নৰ বাবে "বড়ো জনগোষ্ঠীৰ বৈশাগু উৎসৱ" শীৰ্ষক ক্ষেত্ৰ অধ্যয়ন বিষয়টিৰ ওপৰত এটি ক্ষুদ্ৰতম বৰ্ণনা দিয়াৰ প্ৰয়াস কৰিছোঁ। এই ক্ষেত্ৰ অধ্যয়নৰ সহায়ত মই নানা ধৰণৰ অভিজ্ঞতা লাভ কৰিবলৈ সক্ষম হৈছোঁ। ক্ষেত্ৰ অধ্যয়নৰ যোগেদি মোক নানা অভিজ্ঞতাৰ সোৱাদ লোৱাৰ সুবিধা দিয়াৰ লগতে অধ্যয়নৰ প্ৰয়োজনীয় সমল আৰু তথ্য আহৰণত সহায় কৰা দুধনৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান সন্মানীয় ৰাজা ৰাম ৰাভা ছাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মোৰ এই ক্ষেত্ৰ অধ্যয়নৰ সকলো যুগুতোৱাত সহায় আগবঢ়োৱা অসমীয়া বিভাগৰ অধ্যাপিকা তথা মোৰ এই ক্ষেত্ৰ অধ্যয়নৰ তত্ত্বাৱধায়িকা শিখা শৰ্মা বাইদেউলৈ

ধন্যবাদ জনাইছোঁ। মোৰ এই ক্ষেত্ৰ অধ্যয়নত বিভিন্ন ধৰণৰ সহায় আগবঢ়োৱা সন্মানীয় অধ্যাপিকা চুইতী বৰা আৰু ফেন্সী চুতীয়া বাইদেউলৈ সহায়ৰ কৃতজ্ঞতা প্ৰকাশ নকৰিলে মোক দোষে চুব। সেয়েহে এই চেগতে দুয়োগৰাকী বাইদেউলৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

আৰু শেষত মোৰ এই ক্ষুদ্ৰ ক্ষেত্ৰ অধ্যয়নত সহায় কৰা সহপাঠী বন্ধু-বান্ধৱীলৈ মই ধন্যবাদ জ্ঞাপন কৰিলোঁ।


তেজা বসুমতাৰী
স্নাতক ষষ্ঠ ষাণ্মাসিক
দুধনৈ মহাবিদ্যালয়

# সূচীপত্ৰ


| প্ৰথম অধ্যায় | পৃষ্ঠা নং |
|---|---|
| ১.০০ : অৱতৰণিকা | ক - খ |
| ১.০১ : অধ্যয়নৰ উদ্দেশ্য আৰু লক্ষ্য | খ - গ |
| ১.০২ : অধ্যয়নৰ পৰিসৰ | গ |
| ১.০৩ : অধ্যয়নৰ পদ্ধতি | গ |
| ১.০৪ : পূৰ্বকৃত অধ্যয়ন | ঘ |
| **দ্বিতীয় অধ্যায়** | |
| **বড়ো জনজাতিৰ পৰিচয়** | |
| ২.০১ : বড়ো জনজাতিৰ ইতিহাস | ১ - ৩ |
| ২.০২ : বসতিস্থল | ৩ - ৪ |
| ২.০৩ : সমাজ - জীৱন | ৪ - ৬ |
| **তৃতীয় অধ্যায়** | |
| ৩.০০ : বড়ো জনজাতিৰ উৎসৱ - পাৰ্বণ | ৭ - ৮ |
| ৩.০১ : বৈসাগু উৎসৱ | ৮ - ৯ |
| ৩.০২ : বৈসাগু উৎসৱৰ প্ৰধান অংগ | ৯ - ১০ |
| ৩.০২.০১ : মোছৌ ছাল (গৰু বিহু) | ১১ - ১৬ |
| ৩.০২.০২ : মানছি ছাল (মানুহ বিহু) | ১৬ - ২১ |
| ৩.০৩ : বৈসাগুৰ সৈতে জড়িত পৰম্পৰা আৰু লোকবিশ্বাস | ২১ - ২২ |
| ৩.০৪ : বহাগ বিহু আৰু বড়োসকলৰ বৈসাগু উৎসৱৰ মাজৰ সম্পৰ্ক | ২২ - ২৪ |
| ৩.০৫ : উপসংহাৰ | ২৪ - ২৫ |
| গ্ৰন্থপঞ্জী | |
| পৰিশিষ্ট | |

# প্ৰথম অধ্যায়
## বড়ো জনগোষ্ঠীৰ বৈশাগু উৎসৱ

### ১.০০ অৱতৰণিকা ঃ

বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয় আৰু সংমিশ্ৰণৰ ৰূপেই হ'ল অসম। প্ৰতিটো জনগোষ্ঠীৰ মাজত ভাষা-সংস্কৃতি, সাজ-পাৰ, খাদ্য, লোকাচাৰৰ মাজত পাৰ্থক্য থাকিলেও সাতামপুৰুষীয়া ঐক্য আৰু সংহতি অক্ষুণ্ণ ৰাখি অসমে বিশ্ব দৰবাৰত বৃহত্তৰ অসমীয়া জাতিৰূপে নিজকে পৰিচয় দিব পাৰিছে। এই বৈচিত্ৰময় অসমত ৰঙালী বিহুৱেই সংহতিৰ যোগসূত্ৰ হিচাপে সকলোকে একতাৰ এনাজৰীৰে বান্ধি ৰাখিছে।

অসমত বাস কৰা প্ৰায়বোৰ জাতিয়েই ৰঙালী বিহু পালন কৰি অহা দেখা যায়। তাৰ ভিতৰত বড়োসকলৰ 'বৈশাগু উৎসৱ' উল্লেখযোগ্য। বৈশাগু বড়োসকলৰ মাজত

প্ৰচলিত এটি কৃষিকেন্দ্ৰিক বসন্তকালীন উৰ্বৰা উৎসৱ। ভিন্ন লোকাচাৰ আৰু লোকবিশ্বাসৰ মাজেৰে বড়ো জনগোষ্ঠীৰ লোকে এই বৈসাগু উৎসৱ পালন কৰে। বৈসাগু শব্দ প্ৰকৃততে ক'ৰ পৰা উৎপন্ন হৈছে এই লৈ বৰ্তমানেও সঠিক সিদ্ধান্তত উপনীত হ'ব পৰা নাই। তথাপিও বহুতৰে মত অনুসৰি বৈসাগু শব্দটো বড়ো ভাষাৰ 'বৈসা' আৰু 'আগু' শব্দ দুটাৰ পৰা আহিছে বুলি মত প্ৰকাশ কৰে। 'বৈসা' শব্দৰ অৰ্থ হৈছে 'বছৰ' আৰু 'আগু' শব্দৰ অৰ্থ হৈছে 'আৰম্ভণি'। অৰ্থাৎ 'বৈসাগু' মানে হৈছে নতুন বছৰৰ আৰম্ভণি।

১.০১: অধ্যয়নৰ উদ্দেশ্য আৰু লক্ষ্য ঃ

'বড়ো জনগোষ্ঠীৰ বৈসাগু উৎসৱ' শীৰ্ষক অধ্যয়নৰ উদ্দেশ্য আৰু লক্ষ্য হ'ল —

(ক) বড়ো জনগোষ্ঠীৰ বৈসাগু উৎসৱক কৃষিকেন্দ্ৰিক উৎসৱ হিচাপে বিচাৰ কৰা।

(খ) বৈশাগু উৎসৱৰ লগত জড়িত বিভিন্ন নিয়ম - নীতি, আচাৰ - ব্যৱহাৰ, জনবিশ্বাস আদিৰ বিষয়ে আলোচনা কৰা।

(গ) বঙালী বিহু আৰু বৈশাগু উৎসৱৰ মাজৰ সম্পৰ্ক বিচাৰ কৰা।

১.০২ঃ অধ্যয়নৰ পৰিসৰ ঃ

এই অধ্যায়ত বড়ো জনগোষ্ঠীৰ উৎপত্তিৰ ইতিহাস, বৈশাগু শব্দৰ অৰ্থ, বৈশাগু উৎসৱৰ প্ৰধান ভাগ, বঙালী বিহু আৰু বৈশাগু উৎসৱৰ মাজৰ সম্পৰ্ক আৰু এই উৎসৱৰ লগত জড়িত বিভিন্ন নিয়ম-নীতি, জনবিশ্বাস আদি বিষয়সমূহ সামৰি লোৱা হৈছে।

১.০৩ঃ অধ্যয়নৰ পদ্ধতি ঃ

'বড়ো জনগোষ্ঠীৰ বৈশাগু উৎসৱ' শীৰ্ষক বিষয়টি অধ্যয়ন কৰোঁতে প্ৰধানকৈ বিশ্লেষণাত্মক, বৰ্ণনাত্মক আৰু তুলনামূলক পদ্ধতি গ্ৰহণ কৰা হৈছে।

১.০৪: পূৰ্বকৃত অধ্যয়ন

এই গৱেষণা পত্ৰখন প্ৰস্তুত কৰোঁতে ১৯৬৬ চনত প্ৰথম প্ৰকাশ পোৱা 'ভবেন নাৰ্জ্জীৰ 'বড়ো কছাৰীৰ সমাজ-আৰু সংস্কৃতি', ২০০৭ চনত প্ৰকাশিত 'ব্ৰজেন বৰ্মণ'ৰ 'দক্ষিণ কামৰূপৰ বড়ো লোক-সংস্কৃতিত এভুমুকি', ২০০০ চনত প্ৰকাশিত নবীনচন্দ্ৰ শৰ্মা সম্পাদিত অসমৰ সংস্কৃতি-সমীক্ষা, ২০১৬ চনত প্ৰকাশিত জিতু কুমাৰ লেখাৰুৰ লোককৃষ্টিৰ সমীক্ষা, ২০০৯ চনত প্ৰকাশিত 'ড° বসন্ত কুমাৰ দলে'ৰ 'অসমৰ জনগোষ্ঠী এটি পৰিচয়' আদি গ্ৰন্থৰ পৰা সমল তুলি লোৱা হৈছে।

# দ্বিতীয় অধ্যায়

## বড়ো জনজাতিৰ পৰিচয়

২.০১ : বড়ো জনজাতিৰ ইতিহাস

পণ্ডিতসকলৰ মতে নাক চেপেটা, সুৰ চুটি, কপাল বহল, গাল ওলোকাৰ, কম গুঁফীয়া আৰু হালধীয়া গাৰ বৰণ থকা মানুহবোৰক মঙ্গোলীয় গোষ্ঠীৰ মানুহ বুলি কোৱা হয়। খ্ৰীঃপূঃ দুই হেজাৰ বছৰ আগতে এইজাতীয় মানুহ ছাইবেৰিয়া আৰু মঙ্গোলীয় এই দুই দেশত ভ্ৰমি ফুৰা দেখা গৈছিল। কালক্ৰমত এইজাতীয় মানুহ তিনিভাগ হৈ একভাগ ইউৰোপৰ ফালে, দ্বিতীয় ভাগটো ছাইবেৰিয়া-দি বেৰিং প্ৰণালী পাৰ হৈ উত্তৰ আমেৰিকাৰ মেক্সিকোত বাস কৰে আৰু তৃতীয় ভাগটো ক্ৰমে দক্ষিণ ফালেদি নামি আহি চীনৰ দক্ষিণ-পশ্চিমত থকা হোৱাংহো উপত্যকা আৰু তিব্বত মালভূমিত বাস কৰিবলৈ লয়।

তিব্বতত বাস কৰা কিছুমান মঙ্গোলীয় মানুহ ব্ৰহ্মপুত্ৰ নদীৰ শাখাবোৰেদি, পাৰ্বত্য কাপোৰৰ ব্যৱসায় কৰিবলৈ উত্তৰ-পূৱ ভাৰতত প্ৰৱেশ কৰে। পিছত এই ঠালটোৱে ব্ৰহ্মপুত্ৰ

নদীৰ দাঁতিকাষৰীয়া ঠাইত বাস কৰিছিলে লয় আৰু তাতে সৰু সৰু ৰাজ্য স্থাপন কৰে। কিছুমান পণ্ডিতৰ মতে ইণ্ডো-এৰিয়ান বা ভাৰতীয় আৰ্য সকলে উত্তৰ-পশ্চিম ফালেদি ভাৰতত প্ৰৱেশ কৰা সময়তে মংগোলীয় গোষ্ঠীৰ মানুহেও উত্তৰ-পূৱ ভাৰতত প্ৰৱেশ কৰে।

প্ৰাচীনকালৰ আৰ্যৰ সংস্কৃত সাহিত্যৰ বেদ-বেদান্ত, মহাভাৰত, ৰামায়ণ আদি শাস্ত্য মহাকাব্যবোৰত ইণ্ডো-মংগোলীয়, চীন-তিব্বত-বৰ্মী ভাষা-ভাষী মানুহবোৰক কিৰাত নামেৰে পৰিচয় পোৱা যায়। কালিকাপুৰাণ, অমৰকোষ, অভিধান, যোগিনীতন্ত্ৰ আদি সংস্কৃত পুথিবোৰত ইণ্ডো-মংগোলীয় চীন-তিব্বত-বৰ্মী ভাষা-ভাষী মানুহবোৰক কিৰাত নামৰ বাহিৰেও ম্লেচ্ছ নামে পৰিচয় দিয়া হৈছে। বৰ্তমান উত্তৰবঙ্গ আৰু গোৱালপাৰা জিলাৰ পশ্চিমাঞ্চলত বসি কৰা বড়ো কছাৰীসকলক প্ৰাচীনকালত মিচি নদীৰ পাৰত বাস কৰাৰ কাৰণে মিচি নদীৰ নামানুযায়ী মেচ, কাছাৰবাসী বড়ো-কছাৰীসকলে প্ৰাচীনকালত ডাৱৰ নদীৰ পাৰত ৰাজ্য স্থাপন কৰি বসবাস কৰাৰ কাৰণে ডাৱৰ

নদীৰ সন্তান বুলিবলৈ ডাইমা-ফিছা-ডিমাচুপ, পাহাৰ-পৰ্ব্বতৰ দাঁতিকাষৰীয়া ঠাইবোৰত বাস কৰা কাৰণে আৰ্যৰ সংস্কৃত ভাষাত কক্ষবাটৰ পৰা কক্ষাত — কচ্ছুত — কচ্ছৰ লগত 'আৰি' যোগ হৈ কছআৰি — কছাৰী নামৰ উৎপত্তি হয়। পিছত বড়ো আৰু বড়ো গোষ্ঠীৰ মানুহক ভিন ভিন অভিহিত কৰা হয়। এনেয়ে তেওঁলোকে নিজকে বড়ো বা বড়ো বুলি জাতীয় নামে পৰিচয় দিয়ে।

২.০২ : বসতিস্থল

বড়ো বা বড়ো-কছাৰীসকলৰ বাসস্থান অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকা, উত্তৰবঙ্গ, কাছাৰ, জিলা, ত্ৰিপুৰা আৰু দক্ষিণ নেপাল। তেওঁলোক বৰ্ত্তমান খ্ৰীষ্টান, ব্ৰহ্ম, কছাৰী শৰণীয়া, শৰণীয়া আদি ধৰ্মত দীক্ষিত হৈ বসবাস কৰি আহিছে।

ব্ৰহ্মধৰ্মত দীক্ষিত হোৱা বড়ো-কছাৰী সকলক বৰ্ত্তমানে ব্ৰহ্মপুত্ৰ উপত্যকাৰ গোৱালপাৰা, কামৰূপ, দৰং, নগাঁও, মিকিৰ পাহাৰ, উত্তৰ-লখিমপুৰ আদি জিলাত বসবাস কৰা দেখা যায়। যদিও এইসকল বড়ো-কছাৰীৰ মাজত ব্ৰহ্মধৰ্ম্মত

দীক্ষিত হোৱা লোকৰ সংখ্যা অধিক তথাপি বৰ্তমান সময়ত খ্ৰীষ্টান ধৰ্মও গ্ৰহণ কৰা পৰিলক্ষিত হয়। ইয়াৰোপৰি অসমৰ কোকৰাঝাৰ, চিৰাং, বাক্সা আৰু ওদালগুৰি জিলাত বড়োসকলৰ মূল বসতিস্থল। ইয়াৰ লগতে কাৰ্বি আংলং, মেঘালয়, নাগালেণ্ড, অৰুণাচল প্ৰদেশ আনকি ভুটান-নেপালতো বড়ো জনগোষ্ঠী পোৱা যায়।

২.০৩ : সমাজ-জীৱন

বড়োসকল মংগোলীয় নৃগোষ্ঠীৰ তিব্বত-বৰ্মীয় ভাষা-ভাষী লোক। এওঁলোক মাইকৈ শৈৱ পন্থাৰ লগত জড়িত বাথৌ পন্থীয় লোক যদিও তেওঁলোকৰ মাজত কিছুসংখ্যক সনাতন, বৈষ্ণৱ আদি বিভিন্ন ধাৰা আৰু খ্ৰীষ্ট ধৰ্মীয় লোকো নথকা নহয়। তেওঁলোকৰ মাজত শিৱক নানা ধৰণে জনা যায়। যেনে – শিলা দামৰা, খাৰিয়া বৌৰায় - শ্ৰীবৌৰায়, বাথৌ বৌৰায় ইত্যাদি। বাথৌ বৌৰায় বড়োসকলৰ শ্ৰেষ্ঠ দেৱতা। ইয়াকে বাথৌ বুলি কোৱা হয়। খেৰাই বড়োসকলৰ ধৰ্মীয় উৎসৱ।

বড়োসকলৰ সমাজ ব্যৱস্থা পিতৃতান্ত্ৰিক

মাতৃতান্ত্ৰিক (গাহাৰী) সমাজ ব্যৱস্থাও কিছুমান সামাজিক অনুষ্ঠানত পৰিলক্ষিত হয়। বিয়াৰ পাছত কইনাই দৰাৰ ঘৰত বাস কৰে আৰু সাতি-সন্ততিয়ে দেউতাকৰ উপাধি গ্ৰহণ কৰে। অৱশ্যে অন্য জনজাতীয় সমাজত প্ৰচলিত নথকা সগোত্ৰীয় বিবাহ বড়োৰ মাজত প্ৰচলন আছে।

বড়োসকলে সমাজ পাতি বাস কৰে। তেওঁলোকে পৰম্পৰাগতভাৱে পাঁচটা সমাজ মানিচলে, অৰ্থাৎ অগাৰবাদ, ফংছুথাবাদ, দাওখিবাদ, খাউঁৱালিবাদ, আৰু খৌলৌবৌদবাদ এই 'আচাৰবো"ৰে সমাজ পৰিচালনা কৰে। বড়োসকলৰ জন্ম, বিবাহ আৰু মৃত্যুৰ লগত জড়িত বিভিন্ন আচাৰ-অনুষ্ঠান আছে। তাৰ ভিতৰত সন্তানৰ নাই এঁৰাসূতাৰে বান্ধি বাঁহৰ চেঁচুৰে কটা, নাই কটাৰ পাছত শান্তি পানী ছটিয়াই প্ৰায়শ্চিত কৰা, এবছৰৰ ভিতৰত বাইক মান ধৰা; পাঁচ বছৰত মোমায়েকৰ দ্বাৰা চূড়াকৰণ কৰা পৰ্ব আদি উল্লেখযোগ্য।

আদিম ধৰ্মী বড়োসকলে 'হামাছুনি' প্ৰথাৰে আৰু ব্ৰহ্ম ধৰ্মীয় বড়োসকলে হিন্দুৰ বৈদিক প্ৰথাৰে বিয়া বাৰু কৰে। বড়োৰ 'হামাছুনি'

প্ৰথা বাইজে স্বামী-স্ত্ৰী হিচাপে স্বীকৃতি দিয়া পাৰ্ব বিশেষ। সকলো প্ৰকাৰৰ বিয়াতে ভোজন পৰ্বে সময়ত এই নিয়ম পালন কৰিবলগীয়া হয়।
বড়োৰ বিয়াৰ বাবে দুগৰাকী বোৱাৰী আৰু দুগৰাকী আয়ৈমা (আয়তী) আৰু দুজন বৰ-লোগফা (ৰাৰী) অতি আৱশ্যক। বিয়াৰ ভোজন দিয়া, অভ্যাগতক মান ধৰা, নানা বিধৰ মাংগলিক কাৰ্যত সহায় কৰা আৰু নৃত্য-গীতৰ মাজেদি গোটেই অনুষ্ঠানটোকে সতেজ কৰি ৰখাত এওঁলোকৰ ভূমিকা আছে।

বড়োসকলৰ মাজত মৃত্যুৰ লগত জড়িত বিভিন্ন লোকাচাৰ আৰু লোকবিশ্বাস আছে। মৰাশ সংকাৰ কৰাৰ পাছত শৱযাত্ৰীক গোবৰে পানীৰে শুচি কৰা আৰু শোকোত্থ চোৱেই মৃতকৰ সৈতে সকলো পাৰ্থিৱ সম্বন্ধ ছেদ কৰাৰ বিধান আছে। মৃত্যুৰ দহ দিনৰ দিনাখন 'দহা গাবনায়' (দহা পেলোৱা) পৰ্ব আৰু বাৰ দিনত শ্ৰাদ্ধ পাতে।

## তৃতীয় অধ্যায়

### ৩.০০: বড়ো জনজাতিৰ উৎসৱ পাৰ্বণ

ধৰ্মীয় দৃষ্টিভংগীৰ দিশৰ পৰা লক্ষ্য কৰিলে দেখা যায় যে অসম এখন বিভিন্ন ধৰ্মাৱলম্বী ৰাজ্য। পূৰ্বতে ই যদিও হিন্দু-ধৰ্ম কেন্দ্ৰিক আছিল বৰ্তমান সময়ত সকলো ধৰ্মাৱলম্বী লোকৰে বাসভূমি হৈ পৰিছে। ধৰ্মক একাষৰীয়াকৈ থৈ অসম বিভিন্ন জাতি জনজাতিৰ মিলনভূমি।

অসমৰ বিভিন্ন জনগোষ্ঠীৰ ভিতৰত এক অন্যতম জনজাতি হ'ল বড়ো জনজাতি। প্ৰধানত কৃষিজীৱী বড়োসকলে কৃষি উৎসৱৰ লগতে বিভিন্ন ধৰ্মীয় উৎসৱ পালন কৰে। সেইবোৰৰ ভিতৰত বহাগ মাহত পালন পালন কৰা গাৰজা পূজা (কৃষি উৎসৱ), আহাৰ শাওন মাইথো কাতি মাহত পালন কৰা খেৰাই উৎসৱ কৃষিভিত্তিক উৎসৱ, জেঠ আহাৰ মাহত পালন কৰা ফুথলিহাবা (পুতলাৰ বিয়া), চ'ত-বহাগ মাহত পালন কৰা বৈসাগু উৎসৱ আৰু বাথৌ পূজা অন্যতম।

এইবোৰৰ উপৰিও বড়োসকলে মাগৌ দমাছি (মাঘ বিহু), কাতিগাছা (কাতি বিহু), অহোৰীনায় (অহো-হো) আদি ঋতুকালীন অনুষ্ঠান উদযাপন কৰে।

৩.০১ : বৈসাগু উৎসৱ

চ'ত-বহাগ মাহতে পালন কৰা বৈসাগু উৎসৱ বড়োসকলৰ মাজত প্ৰচলিত এটি কৃষিকেন্দ্ৰিক উৎসৱ। ই বসন্তকালীন উৰ্বৰা উৎসৱ, কৃষিৰ কাৰে প্ৰয়োজনীয় মাটি যেতিয়া ঋতুমতি হয়, প্ৰকৃতিয়ে যেতিয়া নতুন ৰূপ লয়, আমে যেতিয়া মলিয়াই, অজস্ৰ পাপৰিয়ে কপৌ ফুল যেতিয়া চৌদিশে প্ৰাণময় কৰি তোলে, তগৰৰ আমোলমলীয়া গোন্ধই যেতিয়া জীৱনক প্ৰাণময় কৰি তোলে, তাঁতশাল, ঢেঁকীশাল যেতিয়া গমগমাই উঠে, বৰদৈচিলা জনীৰ যেতিয়াই আগমন হয় তেতিয়াই

উৎসৱৰ লগত বহাগ বিহুৰ অংগাংগী সম্পৰ্ক আছে। অঞ্চলভেদে বৈসাগু উৎসৱ চ'ত মাহৰ সংক্ৰান্তিৰ পৰা বহাগ মাহৰ সপ্ত দিনলৈকে সাত দিনে পালন কৰা দেখা যায় যদিও বড়োসকলৰ বৈসাগু উৎসৱ প্ৰধানকৈ দুই প্ৰকাৰৰ। যেনে —

(ক) মৌচৌ ছান বা গৰু বিহু

(খ) 'মানছি ছান বা মানুহ বিহু

ঠাইবিশেষে এই দুই বিহুৰ নামাকৰণ বেলেগ বেলেগ কৰা দেখা যায়। বিশেষকৈ গোৱালপাৰা অঞ্চলৰ বড়ো জনগোষ্ঠীৰ মাজত গৰু বিহুক 'মৌসৌ বৈসাগু' আৰু মানুহ বিহুক 'মানছি বৈসাগু' বুলি কোৱা দেখা যায়। আনহাতে কোকৰাঝাৰ, ওদালগুৰি অঞ্চলত গৰু বিহুক 'সংক্ৰান্তি' আৰু মানুহ বিহুক 'বৈসাগু' বুলি কোৱা দেখা যায়।

৩.০২.১ মৌছৌ ছান (গৰু বিহু)

চ'ত মাহৰ সংক্ৰান্তিত 'মৌছৌ ছান' (গৰু বিহু) পালন কৰা হয়। কৃষিজীৱী মানুহৰ প্ৰধান আহিলা তথা বন্ধু হ'ল গৰু। গৰু নহ'লে কৃষিকাৰ্য প্ৰায়ে অসম্ভৱ। এই দিনটোত বড়ো জনগোষ্ঠীৰ লোকসকলে দোকমোকালিতে উঠি নিজৰ কামত লাগি যায়। আগদিনাখনে গোটাই থোৱা মাহ, হালধি, লাউ, বেঙেনা ইত্যাদি ডোখৰ ডোখৰকৈ কাটি বাঁহৰ শলিতাৰে গাঁথি কেইডাল মালা গাঁথে আৰু গৰু ম'হক সৰিয়হ তেল আৰু লাউপাতৰ ল গাত গাত বন্ধা হান্দিৰ (চৰু) তলত থকা এঙাৰখিনি চাচি একেলগে কৰি পিহি লোৱা বস্তুত ঘঁহি লৈ গৰু ম'হৰ গাত পতকা-পতকি চাব মাৰি দিয়ে আৰু মাহ, হালধি, সৰিয়হ, সনা তেল গৰু ম'হৰ শিং আৰু খুৰাত ঘঁহি দিয়ে। গা-ধুৱাবলৈ লৈ যোৱাৰ

অপামুহূৰ্তত দুয়োজনেই এজোৰাকৈ পাছক সেৱা কৰি লয়।

পাছক পানী ধুৱালে লৈ যোৱাৰ সময়ত লাও-বোখেনাৰ মালাৰ পৰা লাও বেখেনা উলিয়াই পাছৰ ওপৰত দলিয়াই আৰু সেই সময়তে বড়ো সমাজত প্ৰচলিত এবিধ গীত গাই গাই পাছক নদী বা পুখুৰীলৈ পানী ধুৱাবলৈ লৈ যায়।

গীত : "লাও জা', ফান্থাও জা',

বৌছাৰ বৌছাৰ এৰ হাগ্ৰা হাগ্ৰা

বিমানি খিমেৰ, ফিফানি খিমেৰ,

নাংছাৰী জাগোন হালুৱা গিদিৰ।"

অৰ্থঃ লাও খা, বেঙেনা খা

বছৰ বছৰ বাঢ়ি যা পালেপে পালে

মাকৰ প্ৰতিশোধ, পিতাকৰ প্ৰতিশোধ

তইঁত হবি হালোৱা ডাঙৰ।

গধূলি সময়ত আকৌ গৰু-ম'হবোৰক দীঘলতি, মাখিয়তী পাতেৰে কোবাই ঘৰলৈ আনে আৰু নতুন বছৰত নতুন পঘাৰে বান্ধে। এই নতুন পঘাৰে গৰুবোৰ বান্ধাৰ আগতে পঘাবোৰক চোতালৰ উত্তৰ-পূব দিশত থকা বাথৌ বেদীৰ ওচৰত পবিত্ৰ পানীৰে ধুই গোবৰে মচি কাচি এখিলা আগলিতি আগলি কলপাত মাটিত পাৰি তাৰ ওপৰত এযোৰ তামোল-পাণ, মাটিৰ চাকি জ্বলাই কলপাতৰ ওপৰত পঘাবোৰ ৰাখি সৃষ্টিকৰ্তা বৰাই বাথৌ ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰা হয় যাতে গৰু ম'হবোৰক আধি-মৰকে বা অপদেৱতাই লাগিব নোৱাৰে। তাৰ পিছতে সোণ জল আৰু তুলসী তিওৱা পানীৰে পঘাবোৰৰ ওপৰত ছটিওৱা হয়। তেনে

কৰিলে পথাবোৰ পবিত্ৰ হয় আৰু বেমাৰ আজাৰ হ'ব নোৱাৰে বুলি বিশ্বাস কৰি আহিছে।

লাও বেঙেনা পাঁচা বাঁহৰ জেং পাঁচডাল অৰ্থাৎ লাও বেঙেনাৰ টুকুৰা সৈতে লৈ আনি দোৱাহলি ঘৰৰ চালত খুচি থৈ দিয়ে। এই পাঁচডাল জেং কাৰ্যৰ পঞ্চতত্বৰ প্ৰতীক বুলি কোৱা হয়। ঠাই বিশেষে তেনেকুৱা বাঁহৰ জেং আৰু দীঘলতি থানি দুডালৰ সৈতে আনি একেলগে কৰি দোৱাহলী ঘৰৰ চালত খুচি থোৱা দেখা যায়। ক'ৰবাত ক'ৰবাত আকৌ বাঁহৰ জেং আৰু দীঘলতি পাতৰ সৈতে একেলগে বেতৰ দুখিলা কাঁইটীয়া পাত চালত খুচি থৈ দিয়ে বুলিও শুনা যায়। এনেদৰে হ'লে হেনো পথাবোৰৰ শস্যবৃদ্ধি

ছাটাৰ লগাতে উন্নত জাতৰ হয় আৰু বেমাৰ আজাৰ, কু-মন্ত্ৰ, অপদেৱতাই লগায় বুলি জনবিশ্বাস প্ৰচলিত আছে।

বড়ো জনজাতিৰ বৈসাগু উৎসৱৰ সৈতে গো-পূজাৰ প্ৰচলনক গৱেষক পণ্ডিত সকলে হিন্দু ধৰ্মৰ প্ৰভাৱত হোৱা বুলি ক'ব খোজে। ড° প্ৰফুল্লদত্ত গোস্বামীয়ে কৈছে যে, "এই উৎসৱবিলাক সংশ্লেষক অনুষ্ঠান। প্ৰকৃত পক্ষত কোনটো কাৰ পৰা আহিল কবলৈ টান। জনজাতীয়ৰ মাজত পালেই যে সি মূলতঃ জনজাতীয় এনে সিদ্ধান্ত সকলো সময়তে কৰিব নোৱাৰি, কিয়নো বেছি সবল সংস্কৃতিৰ প্ৰভাৱ বা আৰু যে নিম্নকতীয়া সংস্কৃতিৰ ওপৰত পৰে তাকো অস্বীকাৰ কৰিব নচলে... উদাহৰণস্বৰূপে অসমৰ বিহুৰ পৰা অহা

দাঙ্গৰ প্ৰতি দেখুওৱা ব্যক্তিৰ আৰ্হি হ'য়াৰে জনজাতীয় লোকেও গ্ৰহণ কৰিছে।"

৩.০২.২ : মানচি ছান (মানুহ বিহু)

দাঙ্গ বিহু পালন কৰা দিনটোৰ পিছৰ দিনটোৱেই মানুহ বিহু। এই দিনটো নতুন বছৰৰ প্ৰথম দিন অৰ্থাৎ বহাগ মাহৰ পহিলা তাৰিখ। সেইদিনাখন ল'ৰা-ছোৱালী, ডেকা-গাভৰু, বুঢ়া-বুঢ়ী সকলোৱে দোকমোকালিতে বিহুনা এৰি বুম ধাৰ্মাৰে গা-পা ধোৱে। ৰাতিপুৱা বন্ধা-বঢ়া কৰা মাটিৰ চৰুবোৰ পেলাই দিয়ে। তাৰ পাছত ঘৰ-দুৱাৰ মচি লৈ চোতালৰ বাথৌ থানত ঘৰৰ দেৱতা বাথৌ দেৱতা আৰু আই কামাখ্যাক পূজা দিয়ে।

বাথৌ দেৱতাক পূজা দিয়াৰ পিছত

সেইখন চোতালতে দক্ষিণ দিশে পৰিয়ালৰ মৃত পূৰ্বপুৰুষসকলৰ কাৰণে পূজা দিয়া হয়। ইয়াক পিতৃ-মাতৃৰ বছৰেকীয়া শ্ৰাদ্ধও ক'ব পাৰি। সেই পূজাত মৃত লোকসকলক আসন দিবলৈ কলৰ পাত পাৰি তাত দুযোৰকৈ পাণ আৰু তামোল দিয়া হয়। ইয়াৰ উপৰিও মৃত লোকসকলক মদৰ ৰস, মুৰ্গী চৰাইৰ ৰন্ধা মাংস, পিঠা, ফল-মূল আদি আগবঢ়োৱাই দিয়াৰ বাহিৰেও মৃত লোকসকলে জীৱিতকালত যিবোৰ বস্তু খাইছিল সেইবোৰ বস্তু পূজাত আগবঢ়োৱা হয়। স্বৰ্গবাসী পূৰ্বপুৰুষক স্মৰণ কৰি স্বৰ্গত আত্মাৰ সদগতিৰ কামনা কৰা হয় আৰু তেওঁলোকেও যাতে পৰিয়ালৰ লোকলৈ আশীৰ্বাদ দিয়ে তাৰ বাবে এনে কৰা হয়।

মানুহ বিহুৰ দিনা মুনিহ, তিৰোতা, ডেকা-গাভৰুসকলে নিজতকৈ বয়সস্থ মানুহক একোখনকৈ আৰনাই দি সেৱা জনায় তেওঁলোকৰ পৰা আশীৰ্বাদ লয়। মুনিহ-তিৰোতা, ডেকা-গাভৰুসকলেও নিজৰ ভিতৰত পৰস্পৰে পৰস্পৰক মৰমৰ সম্ভাষণ জনায় আৰনাই সাল-সলনি কৰি যোৱা বছৰৰ দোষ-ত্ৰুটিবোৰৰ কাৰণে ক্ষমা প্ৰাৰ্থনা আৰু আগন্তুক বছৰৰ কাৰণে মঙ্গল কামনা কৰে।

নৱবৰ্ষৰ দিনাখন বুঢ়াসকলে নতুন বস্ত্ৰ পৰিধান কৰে। গাভৰু ছোৱালী-তিৰোতাসকলে নতুন দখনা আৰু পুৰুষসকলে গামোচা পৰিধান কৰি ৰঙীয়াল মন এটি লৈ নৱবৰ্ষটো সুখ-শান্তিৰে ভৰি পৰাৰ কামনা কৰে। গাভৰু-তিৰোতাসকলে ঘৰৰ মতা মানুহবোৰক

বা অইনা কোনোবা আলহী আহিলে গামোচা অথবা আৰোনাই একোখন যাঁচি সোমাগুৰ শুভেচ্ছা যাঁচে।

এই দিনাখন আগতে হাবি বননিৰ পোৱা মহিলা, পাকৈষে সকলে বুটলি আনি মোৱা বিবিধ তিতা বেকঁহা, ঢেঁকীয়া শাক-পাচলিৰে লগত কুকুৰা-গাহৰিৰ মাংসৰে ৰন্ধা তৰকাৰি মদৰ লগত গাঁৱৰ কোনোবা এঘৰত নাইবা গাঁৱৰ ৰাজহুৱা স্থানত মুনিহ-তিৰোতা সকলোৱে একেলগে নাচি-বাগি ৰং-ধেমালি কৰি খায়। পূজা আদি শেষ হোৱাৰ আগতে মানুহে মদ খোৱা নিষেধ আছে। যিকোনো এগৰাকী বুঢ়া-বুঢ়ীয়ে প্ৰথমে বিহুৰ মদ খাই বিহুক সম্ভাষণ নজনালে বড়ো কছাৰীয়ে আৰম্ভণি নকৰে।

বহাগ বিহুত ৰং-তামাচা কৰাটো বড়োসকলৰ প্ৰধান ৰং-ৰহইচৰ উৎসৱ। বড়ো

সকলে সুখে-দুখে ভৰা পুৰণি বছৰক বিদায় জনায় আৰু নতুন বছৰক আদৰণি জনায়। এই সময়ছোৱাত মানৱ সমাজৰ বাহিৰেও প্ৰকৃতিৰ ৰাজ্যতো, আকাশ, পাতাল সৰ্বত্ৰতে ৰং-ৰহচৰ পয়োভৰ হয়।

মানুহ বিহুৰ পৰ্ব শেষ কৰি গাঁৱৰ বুঢ়া-বুঢ়ী, ডেকা-গাভৰু, কিশোৰ-কিশোৰী সকলোৱে খাম, চিফুং, জোথা আৰু গাগানাৰ ছেৰে ছেৰে, তালে তালে নাচি বাগি ঘৰে ঘৰে মদ খাই, নাচি-বাগি সাতে বিহুলে আশীৰ্বাদ দি ফুৰেগৈ। গাভৰুবোৰে হাইলা-হুইলাকৈ মনৰ আনন্দত প্ৰাণঢালি বৈসাগু নৃত্য নাচে। আনহাতে, চেংগ্ৰা (ডেকা) বোৰেও পিছপৰি নাথাকে, তেওঁলোকেও খাম-চিফুং-জোথা আদি বাদ্যযন্ত্ৰ বজাই গীত গাই আনন্দ উল্লাহত ইঘৰ-সিঘৰকৈ নাচি বাগি ফুৰে। কাৰণ

বৈসাগুৰ পিছত ছমাহলৈ কৃষিকাৰ্যত আত্মমগ্ন হৈ থাকিব লগা হয়।

৩.০৩ : বৈসাগুৰ সৈতে জড়িত পৰম্পৰা আৰু লোকবিশ্বাস

১. বড়োসকল কৃষিজীৱী লোক। গৰুৰ সৈতে তেওঁলোকৰ অভিন্ন সম্পৰ্ক। সেয়েহে বিহুৰ প্ৰথম দিনটো গৰুৰ নামত উৎসৰ্গিত। সেইদিনা নৈত গা ধুওৱা হয় আৰু সেইদিনটোত গৰুৰ গাত এচাৰি লগাব নালাগে বুলি বড়োসকলে বিশ্বাস কৰে।

২. বড়ো-কছাৰীয়ে গৰুক লক্ষ্মী বুলি জ্ঞান কৰে। যি গৃহস্থৰ ঘৰত গৰুৰ সংখ্যা বৃদ্ধি হয়, তেওঁৰ ঘৰত লক্ষ্মী প্ৰসন্ন হৈছে আৰু সেই গৃহস্থৰ পৰিয়াল ঐশ্বৰ্যশালী আৰু সুখী হ'ব বুলি বিশ্বাস কৰে।

৩. বৈসাগু উৎসৱৰ দিনকেইটাত বড়োসকলে শস্য কিনা-বিকা নকৰে বা ধান নাবানে।

৪. বৈসাগু উপলক্ষে চার্বুলেনে পবোস্কাৰাপাত পদ্ধতিৰ সুৰা তৈয়াৰ কৰে আৰু আলেহী অতিথিক ইয়াৰে আপ্যায়ন কৰে। এই সুৰা তৈয়াৰ কৰা প্ৰক্ৰিয়া ৩-৪ মাহ আগৰে পৰা আৰম্ভ কৰে।

৫/ বড়ো লোকসকলে উৎসৱৰ সময় চোতাত ঘৰে ঘৰে গীত-নাচ পৰিৱেশন কৰি ধন-ধান সংগ্ৰহ কৰে। বিশ্বাস কৰা হয় যে কোনো গৃহস্থই গীত-নাচ পৰিৱেশন কৰিব অহা লোকক বিমুখ কৰি ঘূৰাই পঠিওৱা উচিত নহয়।

৬/ পৰিয়ালৰ মহিলাসকলে ঘৰতে তৈয়াৰ কৰা পাৰস্কাৰাপাত মদ আৰু কুকুৰা তৈল ওজাক ঘৰলৈ যায়। এতিয়া অৱশ্যে কহুতে ওজাক নগদ ধনো প্ৰদান কৰে। ইয়াৰ বিনিময়ত ওজাই জাৰি দিয়া তাবিজ আৰু কবচ দিয়ে।

৩.০৪ : বহাগ বিহু আৰু বড়োসকলৰ বৈসাগু উৎসৱৰ মাজৰ সম্পৰ্ক

বসন্তৰ আগমনত যিদৰে বহাগ বিহু বা

ৰঙালী বিহু পালন কৰা হয়, ঠিক তেনেদৰে বড়ো জনগোষ্ঠীৰ লোকসকলেও কেইদিন আগমনতে বৈসাগু উৎসৱ পালন কৰি আহিছে। অসমৰ ৰঙালী বিহুৰ দৰেই বৈসাগু উৎসৱৰ বড়ো লোকসকলে চ'ত মাহৰ সংক্ৰান্তিৰ পৰা বহাগ মাহৰ ষষ্ঠদিনলৈকে পালন কৰি আহিছে বিভিন্ন নিয়ম-নীতিৰ মাজেৰে।

গৰু বিহুৰ দিনাখন গৰুক গা ধুৱাবলৈ গোহালিৰ পৰা মোকলাই লৈ যোৱাৰ পিছত গোহালি পৰিষ্কাৰ কৰা, পুৰণা পঘাবোৰ পেলাই নতুন পঘা দিয়া, গৰুক গা ধুৱাবলৈ লৈ যোৱাৰ সময়ত লাও বেঙেনা গৰুৰ ওপৰত দলিয়াই পঠিলি সময়ত আকৌ গৰু-মহৰোৰক দীঘলতি, মাখিয়তী পাতেৰে কোবাই ঘৰলৈ লৈ অনা ইত্যাদি নীতি-নিয়ম বড়ো জনগোষ্ঠীৰ লোকসকলেও মৌছো ছান অৰ্থাৎ গৰু বিহুৰ দিনা পালন কৰে।

অসমীয়া সমাজত মানুহ বিহু যিদৰে বহাগ মাহৰ পহিলা তাৰিখত পালন কৰা হয় তেনেদৰে বড়ো সকলেও বৈসাগু উৎসৱৰ

অন্তৰ্গত 'মানাছি ছান' অৰ্থাৎ মানুহ বিহু পালন কৰে। অসমীয়া সমাজৰ মানুহ বিহুৰ দৰেই বড়োসকলেও মানছি ছান অৰ্থাৎ মানুহ বিহুৰ দিনা আৰনায়েৰে বৈসাগুৰ সম্ভাষণ জনায় আৰু যোৱা বছৰৰ দোষ-ত্ৰুটিবোৰৰ কাৰণে ক্ষমা-প্ৰাৰ্থনা আৰু আগন্তুক বছৰৰ কাৰণে মঙ্গল কামনা কৰে। এই দিনটোত সৰুৱে ডাঙৰক সেৱা কৰে, ডাঙৰে সৰুক আশীৰ্বাদ দিয়া, নতুন বস্ত্ৰ পৰিধান কৰা আদি নিয়ম বড়োসকলৰ মানছি ছান অৰ্থাৎ মানুহ বিহুৰ দিনা পালন কৰে। বহাগ বিহুৰ সময়ত যিদৰে মানুহৰ ঘৰে ঘৰে গৈ হুঁচৰি গাই গৃহস্থক আশীৰ্বাদ দিয়ে, ঠিক তেনেদৰে বড়ো জনজাতিৰ লোকসকলেও বৈসাগু উৎসৱৰ সময়ত বুঢ়া-বুঢ়ী, ডেকা-গাভৰু সকলোৱে খাম, চিফুং, জোথাৰৰ ছেৰেং ছেৰেং নাচি গাই ঘৰে ঘৰে গৈ গৃহস্থক আশীৰ্বাদ দিয়ে।

## ৩.০৫ : উপসংহাৰ

ওপৰৰ আলোচনাৰ দেখা যায় যে উৎসৱ পাৰ্বণ মানৱ জাতিৰ সভ্যতা সংস্কৃতিৰ

অন্তৰ্গত 'মানাছি ছান' অৰ্থাৎ মানুহ বিহু পালন কৰে। অসমীয়া সমাজৰ মানুহ বিহুৰ দৰেই বড়োসকলেও মানছি ছান অৰ্থাৎ মানুহ বিহুত দিনা আৰনায়েৰে বৈসাগুৰ সম্ভাষণ জনায় আৰু যোৱা বছৰৰ দোষ-ত্ৰুটিবোৰৰ কাৰণে ক্ষমা-প্ৰাৰ্থনা আৰু আগন্তুক বছৰৰ কাৰণে মঙ্গল কামনা কৰে। এই দিনটোত সৰুৱে ডাঙৰক সেৱা কৰে, ডাঙৰে সৰুক আশীৰ্বাদ দিয়া, নতুন বস্ত্ৰ পৰিধান কৰা আদি নিয়ম বড়োসকলৰ মানছি ছান অৰ্থাৎ মানুহ বিহুৰ দিনা পালন কৰে। বহাগ বিহুৰ সময়ত যিদৰে মানুহৰ ঘৰে ঘৰে গৈ হুঁচৰি পাই গৃহস্থক আশীৰ্বাদ দিয়ে, ঠিক তেনেদৰে বড়ো জনজাতিৰ লোকসকলেও বৈসাগু উৎসৱৰ সময়ত বুঢ়া-বুঢ়ী, ডেকা-গাভৰু সকলোৱে খাম, চিফুং, জোথাৰৰ চেৱে চেৱে নাচি গাই ঘৰে ঘৰে গৈ গৃহস্থক আশীৰ্বাদ দিয়ে।

৩.০৫ : উপসংহাৰ

ওপৰৰ আলোচনাৰ দেখা যায় যে উৎসৱ পাৰ্বন মানৱ জাতিৰ সভ্যতা সংস্কৃতিৰ

দাপোনস্বৰূপ। একোটা উৎসৱ পাৰ্বনৰ যোগেদি একোটা মানৱ গোষ্ঠীৰ সামাজিক জীৱনৰ পটভূমি পৰিষ্কাৰকৈ ফুটি ওলায়। অসমৰ ভূমিপুত্ৰ বড়ো জনগোষ্ঠীৰ প্ৰধান উৎসৱ বৈশাগু উৎসৱৰ মাজেৰে বড়ো জনজাতিৰ সমাজ-সংস্কৃতি তথা জাতীয় জীৱনৰ চিত্ৰ যিদৰে পৰিষ্কাৰকৈ ফুটি ওলায় তেনেকৈ আন কোনো উৎসৱ-পাৰ্বনৰ যোগেদি বড়ো জনগোষ্ঠীৰ সামাজিক আৰু জাতীয় জীৱন সুন্দৰকৈ ফুটি উঠা দেখা নাযায়।

# গ্ৰন্থপঞ্জী


১. দলে, ড° বসন্ত কুমাৰ। অসমৰ জনগোষ্ঠী এটি পৰিচয়, ধেমাজি অফচেট প্ৰিন্টাৰ্চ, ২০০৯, ধেমাজি।

২. নাৰ্জী, ভবেন : বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি, বীণা লাইব্ৰেৰী, ২০০১, গুৱাহাটী।

৩. বৰ্মণ, ব্ৰজেন : দক্ষিণ কামৰূপৰ বড়ো লোক সংস্কৃতিত ভুমুকি, শ্ৰীকৃষ্ণ প্ৰিন্টাৰ্চ, ২০০৭, কামৰূপ।

৪. লেখাৰু, জিতু কুমাৰ : লোককৃষ্টিৰ সমীক্ষা, জাগৰণ প্ৰেছ, ২০১৬, গুৱাহাটী।

৫. শৰ্মা, নবীনচন্দ্ৰ (সম্পাঃ), অসমৰ সংস্কৃতি-সমীক্ষা, চন্দ্ৰ প্ৰকাশ, ২০০০, গুৱাহাটী-১।


## পৰিশিষ্ট

সমল ব্যক্তি :

১. সবিতা বসুমতাৰী, ৩৮, কোকৰাঝাৰ
২. লাচিত বসুমতাৰী, ৩৫, দুধনৈ, গোৱালপাৰা
৩. দিপাশিখা খাখলাৰী, ২২, খাইপাওঁ, কৃষ্ণাই
৪. মীৰা বসুমতাৰী, ৩৯, দুধনৈ



বড়ো জনগোষ্ঠীর বাগরুম্বা নৃত্য



বড়ো জনগোষ্ঠীর বাগরুম্বা নৃত্য